চান্দমামা

জুলাই ১৯৯৭

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

PARLE

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়। বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/108 R as

Chelpark

A class by itself!



chelpark

CHELPARK COMPANY PVT. LTD.

A-93, Industrial Estate, Rajajinagar, Bangalore - 560 044.

Ph : 335 1694, 335 1562 Fax : 3300021

CHELPARK RANGE OF PRODUCTS

INKS, WAX CRAYONS, WATER COLOUR CAKES, PENS, PENCIL, OIL PASTELS, ADHESIVES, STAMP PAD BOX, WATER COLOUR SET ETC.

চান্দমামা

Gautam Goswami
3.7.97

জুলাই : ১৯৯৭

এই সংখ্যাত আছে

এঙনিতে জেঙনি ...৭
পুনৰমিলন ...৯
অন্তৰৰ সত্যদৃষ্টি ...১০
অন্ধত্বৰ অতৰ্কী মহিমা ...১৬
সম্রাট অশোক ...১৭
বন্ধুত্বৰ অতৰ্কী মহিমা ...২৪
অজান পাপ ...২৫
নলগা তামোলৰ আঁটি ...৩১
সাগৰৰ পাৰে পাৰে ...৩৩
জীৱনৰ পৰম ধৰম ...৩৭
সোণালী দুৱাৰ ...৪১
মহাভাৰত ...৪৫
সম্বাদ-বি-সম্বাদ ...৫২
চান্দমামা ক্ৰোড়পত্ৰ ...৫৩
ভক্তবৈশ্য ভগৱন্ত ...৫৬
জৰী নোহোৱা জৰী ...৬৩

আৰু

ফটো-নামকৰণ প্ৰতিযোগিতা : ৬৬

চান্দমামা

প্ৰতি ভাষা - প্ৰতিখন
৬.০০ টকা মাথোন

বছৰেকীয়া বৰঙনিৰ ধন
৭২.০০ টকা মাথোন



Rs. 30/-



Rs. 40/-



Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

'ସଚିତ୍ର ବିଜୟା' : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ପବିତ୍ର ରଥଯାତ୍ରା ବିଶେଷାଙ୍କ : ଜୁଲାଇ ସଂଖ୍ୟା



ମୁଖ୍ୟ ପ୍ରସଂଗ : ଜଗନ୍ନାଥ ଭଜନ : ଭାବ ହୀନ, ଭକ୍ତି ହୀନ; **ବିଶେଷ ପ୍ରସଂଗ :** ଜଗନ୍ନାଥଙ୍କ ପରମ ଭକ୍ତଙ୍କ ଗାଁ; **ନୂତନ ଧାରାବାହିକ :** ସ୍ୱପ୍ନ କ'ଣ ସ୍ୱପ୍ନ ମାତ୍ର ?; **ସ୍ୱତନ୍ତ୍ର ପ୍ରସଂଗ :** ଜଗନ୍ନାଥଙ୍କ ଛପନ ପଉଟି ଭୋଗ; **ଭ୍ରମଣ କାହାଣୀ :** ଉଦୟପୁର ରାଜପ୍ରାସାଦର ରଂଗ, ଫୁକାରନ୍ ମରୁଭୂମିର ମାୟା; **ଏକାନ୍ତ ପଲ୍ଲୀ :** ବାଣପୁରର ବେତ ବିଭବ; **ବିତର୍କ :** କିଶୋରୀ ଚରଣ ଦାସ; **ପ୍ରେରଣା :** ପୂର୍ଣ୍ଣ ଚନ୍ଦ୍ର ବିନ୍ଧାଣୀଙ୍କ ଜୀବନାଲେଖ୍ୟ; ତିନୋଟି ଅନନ୍ୟ **ଗଳ୍ପ** ଓ **'ଜୀବନ ଯେମିତି'**ରେ ଗୋଧୂଳି ବେଳାର **ରଂଗୀନ ଦ୍ୱିପତ୍ର ।**

ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ରଥଯାତ୍ରା ବିଶେଷାଙ୍କର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

চান্দমামা

সংস্থাপক : চক্রপাণি ✻ সঞ্চালক : নাগিৰেড্ডি

এঙনিতে জেঙনি তাইৰ নাম সতী।
একুৰি এটা ল'ৰা পায় নামত নাই পতি ॥ (সাঁথৰ)

সকলোৰে বাবে শিক্ষা—কেনে যেন শুনি

গৰমৰ বন্ধৰ অন্তত জুন-জুলাই মাহত ভাৰতৰ সৰহভাগ পঢ়াশালিয়েই পুনৰ পঠন-পাঠনৰ বাবে দুৱাৰ মুকলি কৰিলে, আৰু লগে লগে এক নতুন শিক্ষাবৰ্ষও আৰম্ভ হ'ল। নতুন শিক্ষাবৰ্ষৰ আৰম্ভণীৰ আগতে নতুনকৈ ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰি লোৱা হ'ল, যদিও ছাত্ৰ-ছাত্ৰী হোৱাৰ অৰ্হতা থকা লাখ-লাখ ল'ৰা-ছোৱালী—পঢ়াশালিতনো কি হয়—নজনাকৈয়েই থাকি গ'ল। এই বিপুল সংখ্যক অছাতৰ-অছাতৰীৰ বাবে পঢ়াশালি নাই, আছে খেতি-খোলা, পথাৰ-সমাৰ, সৰুসুৰা কল-কাৰ্খনা, চাহৰ দোকান, আৰু—টলৌ টলৌ।

ইপিনে—বছৰি এবাৰ-এদিনকৈ তো হয়েই—ভোটৰ আগতে 'সকলোৰে বাবে শিক্ষা' সমদলৰ চোটতো সদ্যহতে কিছু ট্ৰ্যাফিক জ্যাম হৈছে, আৰু জ্যাম হৈছে আমি বৰ বেছি নুবুজাহঁতৰ লাওখোলাস্থ সাৰ-গোবৰ যি-বা আছে। কিয়নো—শুনা কথা, আমাৰ সংবিধান মতে—ল'ৰা-ছোৱালীহঁতৰ ১৪ বছৰ বয়সলৈকে 'শিক্ষা' *বাধ্যতামূলক*। পিছে—কাৰ পক্ষেনো বাধ্যতামূলক ? ল'ৰা-ছোৱালীহঁতৰ পক্ষেনে সিহঁতৰ অভিভাৱকসকলৰ পক্ষেনে আমাৰ সুযোগ্য মাননীয় শাসন-কৰ্তৃপক্ষ তথা পৰিকল্পকসকলৰ পক্ষে—ফটফটীয়াকৈ কোৱা টান। যদি শেষোক্তসকলৰ পক্ষে হয়—তেনেহ'লে কিন্তু কথা এঙনীয়া-জেঙনীয়াবিধৰে হ'লগৈ। প্ৰশ্ন কৰিব পাৰোঁনে তেওঁসকললৈ—কথাই কথাই সংবিধানলৈ আঙুলিউৱাসকলে কিয় এই সাধাৰণ ব্যৱস্থাটোৰ বন্দৱস্ত কৰিব পৰা নাই ? আৰু যদি নোৱাৰেই—কিয় বাঘাম্বৰ পিন্ধি বছৰি এবাৰকৈ 'সকলোৰে বাবে শিক্ষা' বুলি চিঞৰে ? যিস্থলত লাখ-বিলাখ ল'ৰা-ছোৱালীয়ে ওপজাৰেপৰাই খাটি খাবলৈ বাধ্য হয়, পঢ়াশালি খায়নে পিন্ধে নজনাকৈয়েই থাকি যায়, সিস্থলত এওঁবোৰ বৰ বৰৰ বাণী যেনিবা

লেৰেলা হাঁহৰ লোথোৰা কণী।

বছৰ : ২২ জুলাই ১৯৯৭ সংখ্যা : ৪

খনে : ৬.০০ টকা ✻ বছৰি : ৭২.০০ টকা





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

পৃথিৱীৰ খিৰিকীৰে

ৰুশ্ব-বায়লো-ৰুশ্ব পুনৰ্মিলন

মে’ মাহৰ ২০ দিনৰ দিনা ৰুশ্ব আৰু বায়লো-ৰুশ্ব পুনৰ এক হ’ল। পাঁচ বছৰৰ আগতে ছোভিয়েত ইউনিয়ন অস্তিত্ববিহীন হৈ পৰিছিল, তেতিয়া ছোভিয়েত ইউনিয়নৰ ১৫ খন ৰিপাবলিকে বেলেগ হৈ স্বাধীন ৰিপাবলিক হিচাপে ৰংশিঙা বজাইছিল। কিন্তু এই ৰং বৰ বেছি দিনলৈ নাথাকিল। কিয়নো—ৰঙৰ কিলত গুৰুলা-গুৰুল হৈ কথমপি তিষ্ঠি থকা এই সৰু সৰু ৰিপাবলিকবিলাক অন্যান্য বিপদ বিঘিনিৰ উপৰিও বিশেষকৈ আৰ্থিক সংকটৰ সন্মুখীন হৈছিল। কিছুমান ৰিপাবলিকৰ ৰাইজে কেৱল ৰুটি সংগ্ৰহৰ বাবেই ঘণ্টাৰ পাছত ঘণ্টালৈ লানি লগাই ৰৈ থাকিবলগীয়া হৈছিল।

আৰু এই ককবক অৱস্থাৰ মাজত পৰি ৰা-বাঁহৰ চেপাত পৰা ৰাইজে আগৰ কমিউনিস্ট শাসনৰ দিনবিলাককহে সুদিন বুলি ভাবিবলৈ ধৰিছিল। কমিউনিস্ট-শাসনত যে তেওঁলোকে খাবলৈ ল’বলৈ পাইছিল—সেই দেখ দেখ কথা ভাবি ভাবি তেঁওলোকে কমেও পুনৰ এক গল এক নল হোৱাৰ সপোন সাজিছিল।

ৰুশ্ব আৰু বায়লো ৰুশ্বৰ মাজত মত-পাৰ্থক্য — প্ৰায় নাই বুলিয়েই ক’ব পাৰি। উভয়ৰে মাতৃভাষা হ’ল ৰুশ্ব। বায়লো ৰুশ্ব শিল্পত অতি উন্নত। এই কাৰণে — তাহানিৰ ছোভিয়েত ইউনিয়নে তাতেই ইলেকট্ৰনিক্স, পেট্ৰ’কেমিকেলছ, হেভি মেছিন-নিৰ্মাণ আদিৰ প্ৰতিষ্ঠানসমূহ, বায়লো-ৰুশ্বতে প্ৰতিষ্ঠা কৰিছিল। আৰু এইবোৰ উদ্যোগৰ বাবে লগা কেঁচামালৰ যোগান ধৰিছিল। তাৰোপৰি, বায়লো-ৰুশ্ব সকলোফালৰেপৰাই যথেষ্ট উন্নত হোৱাত ছোভিয়েত ইউনিয়নে বায়লো-ৰুশ্বতে প্ৰধান প্ৰধান বাণিজ্য-কেন্দ্ৰ স্থাপন কৰিছিল, ইয়াতেই আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ বিশেষভাবে গঢ় লৈ উঠিছিল।

এতিয়া, পুনৰ আগৰ দৰে হ’বলৈ হ’লে — পুনৰ এক হ’ব লাগে যে—এই কথাতো উভয়েই একমত।

ছোভিয়েত ইউনিয়ন বিচ্ছিন্ন হৈ যোৱাৰ পাছত ৰুশ্বদেশত যি নিৰ্বাচন হৈছিল, সেই নিৰ্বাচনত বোৰিছ য়েল্টছিন ৰুশ্বদেশৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ’ল। আৰু য়েল্টছিনৰ নিৰ্বাচন-কালত বায়লো-ৰুশ্বেও য়েল্টছিনলৈ কিছুখিনি সহায়-সাৰথি আগ বঢ়াইছিল।

তাৰ পাছত, ১৯৯৬ চনত দুয়োখন দেশৰ মাজত পাৰস্পৰিক সহযোগিতাৰ চুক্তি হৈছিল। ২ এপ্ৰিলৰ দিনা ফেডাৰেশ্যান স্থাপনৰ প্ৰস্তাৱতো দুয়োখন দেশে স্বাক্ষৰ কৰিছিল। ৰুশ্ব দেশৰ ৰাষ্ট্ৰপতি য়েল্টছিন আৰু বায়লো-ৰুশ্বৰ ৰাষ্ট্ৰপতি লুভয়েংকোই যোৱা মে’ মাহৰ ২০ তাৰিখে নতুনকৈ বিভিন্ন চুক্তিৰ বিষয়ে স্বাক্ষৰ কৰিলে। বায়লো-ৰুশ্বী ৰাইজৰ এভাগৰ মতে : ফেডাৰেশ্যানৰ চুক্তিৰে তেঁওলোকৰ অধিক লাভ হ’ব। কিন্তু আন এভাগে এই প্ৰস্তাৱৰ বিৰুদ্ধতা কৰিলে। বায়লো-ৰুশ্বৰ ৰাজধানী মিনস্কত ফেডাৰেশ্যান বিৰোধী আন্দোলনে দ’কৈ শিপালে। তেতিয়া বায়লো-ৰুশ্ব ৰাষ্ট্ৰপতি লুভয়েংকোই এই বিষয়ে ৰিপাবলিকৰ ৰাইজৰ স্পষ্ট মতামত জানিবলৈ ৰেফাৰেণ্ডাম অৰ্থাৎ জনমত জানিবলৈ এই বিষয়ে নিৰ্বাচন পাতিলে আৰু ফেডাৰেশ্যানৰ পক্ষে অধিকভাগ জনমত লাভ কৰিলে। এতিয়া কথা হ’ল— ছোভিয়েত ইউনিয়ৰপৰা বেলেগ হৈ স্বাধীন হোৱা ৰিপাবলিক এখনে প্ৰকৃততেই পুনৰ ৰুশ্বৰ সৈতে লগ লাগিবগৈনে ? আমাৰ চাবলগীয়া ইমানেই।



অন্তৰৰ সত্যদৃষ্টি

ৰত্নপুৰৰ জমিদাৰৰ দৰবাৰত ৰাধেশ্যাম নামৰ এগৰাকী ডাঙৰ পণ্ডিত আছিল। পণ্ডিত ৰাধেশ্যামে আছিল ৰজাৰ সোঁহাতস্বৰূপ। ৰজাৰ হৈ ৰাধেশ্যাম পণ্ডিতে প্ৰকৃত গুণী ব্যক্তিক বাছি উলিয়াই জমিদাৰৰ দৰবাৰৰ সদস্য কৰিছিল আৰু পণ্ডিত ৰাধেশ্যামৰ এই পৰীক্ষা-নিৰীক্ষা ৰজাই বিনাপ্ৰশ্নে মানি লৈছিল। বিশেষকৈ—কবিসকলৰ ক্ষেত্ৰত ৰাধেশ্যাম পণ্ডিতৰ প্ৰাথমিক পৰীক্ষা-নিৰীক্ষা আছিল এক অতি আৱশ্যকীয় কথা।

ৰাধেশ্যাম পণ্ডিতে কাৰোপৰা ভেটি খোৱা নাছিল ; কিন্তু তেওঁৰ মাজত অহংকাৰ আছিল প্ৰবল। জমিদাৰৰ লগাভগাসকলৰ বাদে কাকো তেওঁ খাতিৰ-বাতিৰ নকৰিছিল।

জমিদাৰ ৰোহিতবৰ্মাদেউ আছিল প্ৰকৃত সজ্জন ব্যক্তি। তেওঁ অহংকাৰীও নাছিল, অবিবেচকো নাছিল, আৰু গুণী লোকৰ আদৰ কৰাত কাৰ্পণ্য নকৰিছিল। কিন্তু—পণ্ডিত ৰাধেশ্যামৰ মাজতো যে দুৰ্গুণ আছিল—সেই কথাৰহে জমিদাৰে ভু নাপাইছিল।

এদিন জমিদাৰ ডাঙৰীয়া গাড়ী এখনত উঠি চুবুৰীয়া গাঁৱলৈ বুলি ওলাল। আদবাটত গাড়ী বেয়া হ'ল। গাৰোৱানে জমিদাৰক ক'লে, "দেউতা, চকা এটা মেৰামতি কৰিব লাগিব, কিছু সময় লাগিব। আপুনি সৌ আমনিৰ ছাঁত জিৰাওকগৈ, চকাটো মেৰামতি কৰি মই আপোনাক মাতি আনিম।

জমিদাৰ ডাঙৰীয়াই যেতিয়া আমনিত সোমাল, তেতিয়া তাত এজোপা ডাঙৰ আমৰ তলত কিছুমান সাধাৰণ মানুহক বহি থকা দেখি আৰু এজন মানুহে মৌ-মিঠা মাতেৰে কিবাকিবি কৈ থকা শুনি কৌতূহলী হৈ এখোজ-দুখোজকৈ তালৈকে গ'ল।

মানুহ এজনে পদ্য পাঠ কৰি আছিল, আৰু

নিৰঞ্জন ডেকা

বাকীখিনি মানুহে শুনি আছিল। পদ্য পাঠ কৰা মানুহজনে তেওঁৰ পদ্যৰ অৰ্থ মানুহখিনিক অতি বুজাই দিছিল আৰু সলসলীয়াকৈ মানুহখিনিয়ে মূৰ দুপিয়াই দুপিয়াই আনন্দ প্ৰকাশ কৰিছিল।

কিছু সময়ৰ অন্তত কবি মানুহজনে ক'লে, "আজিলৈ—ইমানেই। এতিয়া নিজৰ নিজুৰ কাম কৰাগৈ। কালিলৈ এই সময়তে আকৌ পদ্য-পাঠ হ'ব।"



সকলোটি যেতিয়া গ'লগৈ, তেতিয়া জমিদাৰ ডাঙৰীয়াই সোধ-পোছ কৰি জানিলে যে—এই গ্ৰাম্য কবিৰ নাম হ'ল গোবিন্দ। গোবিন্দই গাঁৱৰ জমিদাৰ ৰোহিত বৰ্মাদেৱক পদ্য পাঠ কৰি শুনাবৰ মনেৰে পণ্ডিত ৰাধেশ্যামৰ কাষ চাপিছিল, কিন্তু পণ্ডিতে গোবিন্দক জমিদাৰ ডাঙৰীয়াৰ ওচৰলৈ যোৱাৰ অনুমতি দিয়া নাছিল। সোইহে — কবি গোবিন্দই এতিয়া জীৱিকাৰ বাবে সাধাৰণবো সাধাৰণ বনুৱাহঁতকে পদ্য শুনাইছে।

"কিন্তু — এনেকৈ — ইমান সাধাৰণ মানুহবিলাক পদ্য শুনাই যি পাবা—তাৰে তিষ্ঠি থকিবানো কেনেকৈ ?" জমিদাৰে কৌতূহলবশতঃ গোবিন্দক সুধিলে।

"তিষ্ঠি—বহুভাৱেই থাকিব পাৰি, কিন্তু তাৰে মনৰ শান্তি পাব নোৱাৰি। এওঁলোকে মোৰ কবিতাক ভাল পাই এওঁলোকৰ কঠোৰ শ্ৰমেৰে অৰ্জা ধনৰ যিকণ মোক দিয়ে, তাৰেই মই তুষ্ট হৈ থাকোঁ। মনৰ তৃপ্তি ধনতকৈ ঢের ডাঙৰ কথা।" গোবিন্দই ক'লে।

তেতিয়া জমিদাৰ ডাঙৰীয়াই গোবিন্দক তেওঁৰ প্ৰকৃত চিনাকি দিলে আৰু ক'লে, "শুনা, আমাৰ ৰাধেশ্যামদেউ হ'ল মহাপণ্ডিত ব্যক্তি। তোমাৰ বিষয়ত বিচাৰ-বিবেচনা কৰাত তেওঁৰ কিজানি ক'ৰবাত কেনেবাকৈ ভুল হ'ল। তুমি মোৰ দৰবাৰলৈ আহিবা, নিশ্চয় আহিবা।"

"কিন্তু —" গোবিন্দই কওঁ-নকওঁকৈ ক'লে, "মই — ৰাধেশ্যাম পণ্ডিতদেউৰ বাধা নামানি —"

জমিদাৰ ডাঙৰীয়াই হাত দাঙি গোবিন্দক ৰখালে, আৰু তেওঁৰ আঙুলিৰপৰা আঙঠি এটা সোলোকাই লৈ গোবিন্দক দিলে আৰু ক'লে, "এই আঙঠিটো দেখুৱাই পোনে পোনেই দৰবাৰলৈ সোমাই যাবা, কোনেও তোমাক বাধা নিদিব। আজি পঞ্চমী, অহা দশমীৰ দিনা তুমি অৱশ্যেই মোৰ ওচৰলৈ যাবা।"

গোবিন্দই জমিদাৰক নম্ৰতাৰে নমস্কাৰ কৰিলে, আৰু জমিদাৰ ডাঙৰীয়ায়ো প্ৰতি-নমস্কাৰ কৰি তেওঁৰ গাড়ীৰ গাৰোৱনলৈ ঘূৰি চালে আৰু খোজ ল'লে।

দশমীৰ দিনা গ্ৰাম্য কবি গোবিন্দ জমিদাৰৰ দৰবাৰ পালেগৈ। গোবিন্দক দেখা পাই জমিদাৰ ৰেহিতবৰ্মাদেউ প্ৰীত হ'ল। তাৰ পাছত, স্বয়ং জমিদাৰ ডাঙৰীয়াৰ অনুৰোধত গোবিন্দ কবিয়ে দৰবাৰত পদ্য পাঠ কৰি শুনালে, সভাস্থ সকলোটিয়েই এই গ্ৰাম্য কবিৰ সহজ-সৰল কবিতা শুনি চমৎকৃত হ'ল। জমিদাৰ ডাঙৰীয়া অতিশয় তৃপ্ত হ'ল আৰু তেওঁ এই কৱিজনাক এহেজাৰ ৰূপ দিবলৈ তেওঁৰ দেৱানক ক'ল।

তেতিয়া ৰাধেশ্যাম পণ্ডিতে কৈ উঠিল, "আমাৰ মাননীয় জমিদাৰ ডাঙৰীয়া, এই দৰবাৰত কবিসকলৰ যোগ্যতাৰ নিৰ্দ্ধাৰক মই। মোৰ অভিমত—এই গ্ৰাম্য কবি গোবিন্দ পুৰস্কাৰ-উপহাৰ পোৱাৰ যোগ্য নহয়।"

পণ্ডিত ৰাধেশ্যামৰ কথাত জমিদাৰ ডাঙৰীয়াৰ চকু-মুখ খঙৰ কোবত ৰঙা পৰিল। তেওঁ ৰাধেশ্যাম পণ্ডিতক ক'লে, "আনকি—অযোগ্যকো উপহাৰ-পুৰস্কাৰেৰে আদৰাৰ অধিকাৰ মোৰ নাই বুলি ভাবেনে, পণ্ডিতপ্ৰবৰ?" মুহূৰ্তমানলৈ ৰৈ তেওঁ দেৱানক পুনৰ ক'লে, "আপুনি এই কবিজনাক এহেজাৰ ৰূপ এতিয়াই আনি দিয়ক।"

অপমানেৰে থকা-সৰাকা যেন হোৱা ৰাধেশ্যাম পণ্ডিতে জমিদাৰ ডাঙৰীয়াক ক'লে, "আপুনি — আপোনাৰ অধিকাৰৰ অহংকাৰেৰে অনধিকাৰকে অধিকাৰ বুলি প্ৰয়োগ কৰিবলৈ লৈ — বিবেকহীনতাকহে প্ৰশ্ৰয় দিছে। এই কাৰ্য্যৰ ফলত আপোনাৰ অহিতেই হ'ব, হিত নহ'ব। মোৰ কথা মানি লওক, এই অন্যায্য-অযোগ্য পুৰস্কাৰ প্ৰদান বন্ধ কৰক। আৰু তথাপি যদি আপুনি মোৰ কথালৈ উপেক্ষা প্ৰদৰ্শন কৰে, আগলৈ মই যোগ্য-অযোগ্য নিৰ্দ্ধাৰণৰ দায়িত্ব কঢ়িয়াব নোৱাৰিম।"

"পণ্ডিতপ্ৰবৰ, আনক অহংকাৰী বুলি কোৱাৰ আগতে নিজৰ অহংকাৰৰ কথা ভাবিলেহে ভাল। প্ৰকৃত পণ্ডিতজনক অহংকাৰ নোশোভে।" জমিদাৰে ক'লে।

এনেহেন ঘোৰ অপমান সহিব নোৱাৰি দৰবাৰ এৰি ৰাধেশ্যাম তৎমুহূৰ্ততে ওলাই দুপদুপাই গুচি গ'ল। ঘৰ পাই ৰাধেশ্যাম

পণ্ডিতে সকলো বৃত্তান্ত তেওঁৰ পৰিবাৰক ক'লে।

পৰিবাৰে গিৰিয়েকৰ কথা ধৈৰ্য্যৰে শুনি ক'লে, "এই কথা পাহৰিলে লাভ নাই যে— আপুনি কোন আৰু আমাৰ জমিদাৰ ডাঙৰীয়া কোন। জমিদাৰ ডাঙৰীয়াৰ ইচ্ছা-অনিচ্ছাক দাম দিবই লাগিব।"

ঠিক তেতিয়াই গোবিন্দ পাণ্ডিতৰ ঘৰলৈ আহিল আৰু গোবিন্দই পণ্ডিতক ক'লে, "মহাশয়, মোৰ কাৰণে আপোনাৰ আৰু জমিদাৰ ডাঙৰীয়াৰ মাজত খকা-খুন্দা— মনোমালিন্য হোৱাত মই প্ৰকৃততেই দুঃখিত বোধ কৰিছোঁ। কিন্তু এইবোৰ ঘটনাত মোৰ কোনো জগৰ মই দেখা নাই। যি কি নহওক— পুৰস্কাৰ পোৱাত মোৰ অযোগ্যতা কোনখিনিত, মোৰ কাব্য-ৰচনত ত্ৰুটি কোনখিনিত — দয়া কৰি যদি আঙুলিয়াই দিয়ে—বৰ ভাল পাম — উপকৃত হ'ম। কথা—যিমানেই তিতা-কেঁহা হওক—মন খুলি কওক।"

ৰাধেশ্যাম পণ্ডিতে ক্ষুব্ধ-ক্ৰুদ্ধ মাতেৰে ক'লে, "ৰজাৰূপী জমিদাৰৰপৰা মান লাভ কৰিছাই যেতিয়া—মোক আকৌ উতগাবলৈ আহিলানো কেলেইহে ? এই মুহূৰ্ততে ইয়াৰপৰা গুচি যোৱা।"

"এয়েনে আপোনাৰ পণ্ডিত্যৰ ৰূপ ? পণ্ডিতৰো যদি ইমান পাগুা উঠে—তেনেহ'লে কাণ্ডাকাণ্ডজ্ঞান কাৰনো থাকিব ? এনেবোৰ অহম দিয় মাতৰ দণ্ড আপুনি পাবই।" এই বুলি কৈয়েই গোবিন্দ তাৰপৰা গুচি গ'ল।



আৰু লগে লগে ৰাধেশ্যাম পণ্ডিত ইমানেই উত্তেজিত হৈ উঠিল যে—হঠাৎ তেওঁ দিনতে এন্ধাৰ দেখি অচেতন হৈ মাটিলৈ বাগৰি পৰিল। বাগৰি পৰাৰ শব্দ উঠাত পৰিবাৰে ঘৰৰপৰা বাহিৰলৈ ঘূৰি চালে আৰু চিঞৰি চুবুৰীয়াহঁতলৈ মাত লগালে।

চুবুৰীয়া এজনে বেজ এজনক মাতি লৈ আহিল। বেজে পৰীক্ষা কৰি ক'লে যে—এই বেমাৰ কলিজাৰ বেমাৰ। পুৰন্দৰপুৰৰ সনাতন কবিৰাজৰ বহিৰে আন কোনেও কলিজাৰ বেমাৰৰ দৰৱ দিব নোৱাৰে।

কিন্তু লেঠা হ'ল এয়ে যে—সনাতন কবিৰাজে ৰজা জমিদাৰ আদিৰ বাহিৰে—বাধ্যত নপৰিলে আন কাকো চিকিৎসা নকৰে।

ৰাধেশ্যাম পণ্ডিতৰ বেমাৰৰ কথা জমিদাৰ

ডাঙৰীয়াই যেতিয়া জানিলে, তেওঁ তৎক্ষণাৎ ৰাধেশ্যাম পণ্ডিতক সনাতন কবিৰাজৰ ওচৰলৈ লৈ যোৱাৰ বন্দৱস্ত কৰিলে।

সনাতন কবিৰাজে পণ্ডিতক পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত ক'লে, "এই ৰোগ মনৰ ৰোগ। মনৰপৰা খং-ৰাগ অহংভাব আদি দমাব-কমাব নোৱাৰিলে এই ৰোগৰ দৰব —দৰাচলতে নাই।"

ৰাধেশ্যাম পণ্ডিতে তীহতিহাই উঠি ক'লে, "অহংকাৰ আৰু আত্মাভিমানত কি প্ৰভেদ— মই জানো। কিন্তু আপুনি নজনা বুলিহে তেনেকৈ কৈছে।"

সনাতন কবিৰাজে মিচিকীয়াই হাঁহিৰে ক'লে, "কথা—হওঁতে সঁচা। মই এজন বৈদ্য মাত্ৰ, পণ্ডিত নহয়। কিন্তু আপোনাৰ বেমাৰৰ উহ্ নজনালৈকে আপোনাৰ সঠিক চিকিৎসাও কৰিব নোৱাৰিম। আমাৰ মান্যমান জমিদাৰ ৰোহিতদেউৰে আপোনাক পাঠালে যেতিয়া চিকিৎসা কৰিমেই। পিছে—চিকিৎসা কৰাৰ আগতে বেমাৰৰ উৎসমূলৰ ভু ল'বলৈ মই মোৰ অভিজ্ঞ-নিৰপেক্ষ মনৰ শিষ্য একজন আপোনালোকৰ গাঁৱলৈ পঠাম।"

সনাতন কবিৰাজৰ শিষ্য এজন ৰাধেশ্যাম পণ্ডিতৰ গাঁৱলৈ গ'ল। ৰাধেশ্যাম পণ্ডিতৰ বিষয়ে অনুসন্ধান কৰাত গাঁৱৰ বয়সস্থ লোক এগৰাকীয়ে ক'লে, "ৰাধেশ্যাম পণ্ডিতৰ যদি কলিজাৰ বেমাৰ হৈছে—কথা আচৰিত নহয়। তেওঁৰ লগত প্ৰায় সকলোটিৰেই খকা-খুন্দা লাগিয়েই থাকে। আনকি তেওঁৰ পুতেকৰ লগতো তেওঁৰ সদ্ভাব নাই। পৰিস্থিতি বেয়াতকৈয়ো বেয়া হোৱাত—পুতেকে ঘৰ এৰিবলৈ বাধ্য হৈছে। আচলতে—এয়া হ'ল—পয়া লগা পাণ্ডিত্যৰ পৰিণাম।"

গাঁৱৰে আন এগৰাকী বয়সিয়ালে সনাতন কবিৰাজৰ শিষ্যক ক'লে, "মই পণ্ডিতৰ কলিজাৰ বেমাৰৰ মূল কাৰণ জানো। পণ্ডিতৰ ঘৰৰ সীমা লৈ দুয়োৰো মাজত সদায় বচ-বাচ হাই-হুই আপদ-অশান্তি। কলিজা হ'ল কোমল বস্তু, কিমাননো কুটি-লালি সহিব পাৰে?"

"বাৰু, সুগ্ৰীৱ নামৰ মানুহজন কেনে—?" সানাতন-শিষ্যই সুধিলে।

"ৰাধেশ্যাম পণ্ডিতৰ বাদে আন কাৰো সৈতে সুগ্ৰীৱৰ সামান্য কাজিয়া-কন্দল নাই।" মানুহজনে ক'লে।

সনাতন কবিৰাজৰ শিষ্যই শুনিলে :

ৰাধেশ্যাম চাৰিহালিচামান মাটি আছে, সেই মাটিত পণ্ডিতে বনুৱাৰে খেতি-বাতি কৰোৱয়, কিন্তু আনকি বনুৱাহঁতৰ সৈতেও তেওঁৰ সদ্‌ভাব নাই, সিহঁতকো তেওঁ সদায় গালি পাৰে, ককৰ্থে আৰু হুমিয়ায়, আৰু এইদৰেই—সমাজৰ কোনো শ্ৰেণীৰ সৈতেও তেওঁৰ কোনো-প্ৰকাৰৰ সু-সম্পৰ্ক নাই।

সনাতন শিষ্যই বিছ-পঁচিছ জনৰপৰা ৰাধেশ্যাম পণ্ডিতৰ বা-বিবৰণ কবিৰাজক আনি দিলে। আৰু তেঁওৰ বিষয়ে এইবোৰ অনুসন্ধানৰ কথা পণ্ডিতেও শুনিলে। শুনি তেওঁ তধা লগা যেন হৈ পৰিল। তেওঁ তেওঁৰ বিষয়ে ওলোৱাখিনিৰ বিৰুদ্ধে কোনো মাতেই মাতিব নোৱাৰিলে।

সনাতন কবিৰাজে পণ্ডিতক ক'লে, "শুনিলেই নহয়—আপোনাৰে গাঁৱৰ ৰাইজে আপোনাৰ কিখিনি গুণ বখানিলে? এতিয়া—এই টানবো টান বেমাৰৰপৰা ৰেহাই পাবলৈ হ'লে অধিক পাণ্ডিত্যৰ বেহা এৰি কিঞ্চিত চহা হ'ব জানিব লাগিব।"

পণ্ডিত ৰাধেশ্যামে তলমূৰ হৈ সনাতন কবিৰাজক ক'লে, "মোৰ ধাৰণা হৈছে যে—মই মোৰ নিজৰ দোষ-জগৰৰ কথা নিজেই কোৱাটো আপোনাক লাগে। মই যিদিনা যিক্ষণত আপোনাৰ কাষ চাপিছিলোঁ, সেই দিনাই মোৰ বেমাৰৰ ঘাই কাৰণ আপুনি জানি গৈছিল যে—সেই কথাত মোৰ অলপো সন্দেহ নাই যে—মোৰ এই কলিজাৰ বেমাৰ তথা পতনৰ মূলো মোৰেই অহংকাৰ। সকলো শত্ৰুক দমাব পাৰি, কিন্তু পাণ্ডিত্যৰ ভেমৰূপী শতুৰুক যে কেনেকৈ দূৰতে বিদূৰ কৰিব পাৰি—যদি উপায় আছে—মই নিৰুপায়ত পৰাক দয়া কৰি উপায় দিয়ক।"

সনাতন কবিৰাজে মিঠাকৈ হাঁহিৰে ক'লে, "উপায়—মই আৰু দিব নালাগে, আপোনাৰ নিজৰ অন্তৰৰ সত্যদৃষ্টিৰপৰা আপুনি নিজেই উপায় পালে। আপোনাৰ জীৱনত আৰু কোনো অপায় নহ'ব।"

সনাতন কবিৰাজে কোৱা কথা আখৰে আমৰে সচাঁ হৈছিল। পণ্ডিতৰ পুত্ৰও আকৌ উভতি আহিছিল আৰু মিলিজুলি একেলগে থকা-মেলা কৰিছিল, পাণ্ডিত্যৰ ভেম এৰি গাঁৱতো ৰাইজৰ পৰম প্ৰিয় হৈ সুখেৰে জীৱন অতিবাহিত কৰিছিল।



অন্ধত্বৰ অতৰ্কী মহিমা

হেলাপুৰীৰ ৰাম-মন্দিৰৰ একাষতে বহি এজন মগনিয়াৰে ভিক্ষা মাগিছিল। সি কৈছিল যে—সি জন্মৰেপৰাই অন্ধ, তাৰ ক'তো কোনো কেও নাই, গতিকে তাক ভিক্ষা দিব লাগে।

সুগন্ধিপুৰৰপৰা এজন যুৱা ৰাম-মন্দিৰলৈ আহিল। মন্দিৰ-দৰ্শনৰ অন্তত উভতি যাওঁতে সেই যুৱা অন্ধ মগনিয়াৰজনৰ ওচৰত ৰ'ল। তাত এডোখৰ কাপোৰৰ ওপৰত খুচুৰা পইচাবোৰ সিঁচৰি আছিল আৰু অন্ধ মগনিয়াৰজনে সেই খুচুৰাবিলাকৰপৰা অধিক মূল্যৰ পইচাবিলাক বুটলি তাৰ টেমা এটাত ভৰাই থৈছিল।

যুৱাজনৰ ধাৰণা হ'ল—এই মগনিয়াৰজন প্ৰকৃততে অন্ধ নহয়। অন্ধ মগনিয়াৰে চিঞৰি কৈ উঠিল, "দৌতাসকল, অন্ধলৈ দান কৰক —।"

"দান কৰিম, কিন্তু—তুমি সঁচাসঁচিকৈয়েই অন্ধনে ? মোৰ কিন্তু সন্দেহ হৈছে।" যুৱাই মগনিয়াৰজনক ক'লে।

মগনিয়াৰে টপৰাই কৈ উঠিল; "দৌতা, সৌ যে দূৰত সেউজীয়া ৰঙৰ ঘৰটো — দেখিছেই নহয় — ? সৌ ঘৰটোৰ কাষত থকা নাৰিকলজোপা দেখা পাইছেনে— ?

"ওঁ, ওঁ — পাইছোঁ — দেখা পাইছোঁ।" যুৱাই ক'লে।

"এতিয়া দেখিলেনে যে—আপোনাত আৰু এই দুৰ্ভগীয়া অন্ধত কিমান পাৰ্থক্য ? মই কিন্তুক সেইবোৰ— ঘৰ বা গছ—একোৱেই দেখা পোৱা নাই।" মলুৱা মগনিয়াৰটোৱে ক'লে।

আৰু অন্ধত্বৰ অতৰ্কী মহিমাৰ কথা ভাবি যুৱাই ভেবা দিলে।





সম্ৰাট অশোক

আগৰ কথা : মগধৰ সম্ৰাট বৃদ্ধ মহাৰাজ বিন্দুসাৰ তেতিয়া অতি অসুস্থ হৈ আছিল। আৰু ঠিক তেতিয়াই মগধ সাম্ৰাজ্যৰ তক্ষশীলাত বিদ্ৰোহৰ সূচনা হৈছিল। মহাৰাজে তেওঁৰ জ্যেষ্ঠপুত্ৰ সুশেমক তক্ষশীলাৰ বিদ্ৰোহ দমনৰ দায়িত্ব ল'বলৈ কোৱাত সুশেম তলমূৰ হ'ল, আৰু অন্য ভায়েককেইজনেও এই বিষয়ে ৰাও-শব্দ কৰা নহ'ল। তাৰ পাছত, কনিষ্ঠ পুত্ৰ অশোকে তক্ষশীলাৰ বিদ্ৰোহ দমন কৰাৰ দায়িত্ব গ্ৰহণ কৰি এদিনতে সেই বিদ্ৰোহ শিপাৰে সৈতে উভালি পেলাইছিল। আৰু তাৰ পাছত....

৫

তেতিয়া বেলিয়ে পৃথিৱীৰপৰা মেলানি মাগিছে। মহাৰাজ বিন্দুসাৰৰ জ্যেষ্ঠপুত্ৰ সুশেমে তাৰ ভায়েকহঁতক আৰু গায়িকা-নৰ্তকী আদিকো লৈ বন-বিহাৰ কৰিবলৈ ওলাল। দলে-বলে সুশেমে পাটলিপুত্ৰৰ সমীপত নদী-তটস্থ উপবন পালেগৈ। তাত খানা-পিনা গানা-বাজনা-নাচনা আদি অতি উচ্চমাত্ৰাত চলি থাকিল। এইবোৰ-এনেবোৰ আমোদ-প্ৰমোদত যাতে কোনেও বাধাৰ সৃষ্টি নকৰে, তাৰ বাবে উপবনৰ ঠয়ে ঠায়ে, নৈৰ পাৰে পাৰে, আৰু বিশেষকৈ উপবনলৈ প্ৰৱেশ কৰাৰ বাট-পথৰ ওপৰত কটকটীয়াকৈ পহৰাৰ বন্দৱস্ত কৰা হৈছিল! এই আমোদ-ফূৰ্তিৰ বিষয়টো কাকপক্ষীয়েও জানিব নোৱাৰাকৈ সৰ্ববিধৰ ব্যৱস্থা সুশেমে কৰিছিল। কিয়নো সুশেমৰ মনত ভয় আছিল যে—এনেহেন অবাধ-নিৰ্বাধ ফূৰ্তিৰ কথা প্ৰজা-ৰাইজে গম পালে প্ৰজা-ৰাইজে সুশেমক নিষ্ঠাৱান মহাৰাজ

'যোগ্য উত্তৰাধিকাৰী'

বিন্দুসাৰৰ অযোগ্য পুত্ৰ হিচাপে ফুহুৰি তৰঙাব আৰু তাৰ ফলত সুমেশ হয়তো পিতাশ্ৰী বিন্দুসাৰৰ আগত কৈফিয়তৰ সন্মুখীন হ'ব।

সুশেম আৰু তাৰ লগৰীয়াহঁত তিমানতে যথেষ্ট সোমৰস পান কৰিছিল আৰু সোমৰসৰ ৰাগীয়ে সিহঁতক কিঞ্চিতমান মতলীয়া কৰি তুলিছিল। যি কি নহওক — সুশেমৰ নিৰ্দেশমতে এইবাৰ অতি উচ্চস্বৰেৰে বাদ্যভাণ্ড বাজি থাকিল আৰু সুন্দৰী নাচনিয়াৰহঁতৰ অৰ্দ্ধউলঙ্গ নৃত্যৰ জোৱাৰ বৈ থাকিল।

কিন্তু হঠাৎ বহুতৰে দৃষ্টি বিপৰীত ফাললৈ প্ৰধাৱিত হ'ল। ধূলি উকৰাই কোনোবা এক অশ্বাৰোহী দ্ৰুত গতিৰে এইপিনেই আহি আছে। চাওঁতে চাওঁতে সুশেমৰ দেহৰক্ষী এজন আহিল, আৰু অশ্বৰপৰা জাঁপ মাৰি নামি আহি যথাবিহিত সন্মান প্ৰদৰ্শনান্তে দেহৰক্ষীয়ে সুশেমক কৈ থাকিল, "হে মহান যুৱৰাজ! আমাৰ এক দল-নায়ক এই উপবনলৈ আহিবলৈ চেষ্টা কৰাত মই তেওঁক বাধা দিছোঁ। আজি আপোনাৰ আজ্ঞা বিনে এই উপবনলৈ কোনো মানৰ, আনকি কাউৰী-কুকুৰায়ো যে প্ৰবেশ কৰিব নোৱাৰিব — সেই কথা কোৱা সত্বেও মোৰ নিষেধলৈ কৰ্ণপাত নকৰা হৈছে আৰু মোক ৰাজ-অঙ্গুৰীয় দেখুৱাইছে।"

"ইয়াত তাৰ কি কাম?" সুশেমে দেহৰক্ষীক সুধিলে।

"মোক নকয়। আপোনাক হয়তো ক'ব।"

"ঠিক হ্যায়, তাক জল্‌দিকৈ আহিবলৈ কোৱাগৈ।" সুশেমে বিৰক্তিৰে ক'লে।



অনতিপলমে সেই দলনায়ক তালৈ আহিল, আৰু যথাৰৎ সন্মান প্ৰদৰ্শনৰ অন্তত সুশেমৰ নীৰৱ প্ৰশ্নৰ উত্তৰত ক'লে, "কালিলৈ গধূলিতে এহি উপবনতে এক বিৰাট অভিনন্দন সমাৰোহ পতা হ'ব। সেনাধিপতিৰ আজ্ঞা— তাৰ কাৰণে যথোচিত বা-বন্দৱস্ত আজিয়েই কৰি পেলাব লাগে। মোকেই এই কাৰ্য্যৰ দায়িত্ব দিয়া হৈছে। মোৰ লগত আন কিছুমান সৈনিকো আহিছে, সিহঁত উপবনৰ বাহিৰত থিয় হৈ আছে। আপোনাৰ অনুমতি পোৱামাত্ৰেই সিহঁতক ইয়ালৈ লৈ আহিমগৈ।"

"এই অভিনন্দন-সমাৰোহ — কাৰ অভিনন্দন? কিহৰ সমাৰোহ?" সুশেমে চিন্তান্বিত কণ্ঠেৰে দল-নায়কজনক সুধিলে।

"যুৱৰাজ অশোকৰ।" দল-নায়কে ক'লে।

"কিহৰ কাৰণে ?"

"যুৱৰাজ অশোকে তক্ষশীলাৰ ৰাজদ্রোহ সফলতাৰে দমন কৰাৰ কৰাণেই এই আয়োজন কৰা হৈছে বুলি শুনিছোঁ।"

দল-নায়কৰ কথা শুনি সুশেমৰ মুখ শেঁতা পৰিল। ভায়েকহঁতৰো যেই একেই অৱস্থা, কাৰো মুখতে ৰাও-শব্দ নাই। এজনী নর্তকীয়ে ক'লে, "বাঃ ! কেনে খুচ-খবৰ যে শুনালাহি —!"

সুশেমে নর্তকীজনীক ডাবি মাৰি কৈ উঠিল, "যোৱা, ইয়াত কি লাগে তোমাক ?"

অশোকৰ প্রতি সুশেমৰ ঈর্ষাৰ কথা এই নর্তকীজনীয়ে আগকৰেপৰাই জানিছিল ; গতিকে—সুশেমৰ বমকনিৰে তাই মুঠেই ভয় নাখালে বা অবাকো নামানিলে ; তাই মনে মনে হাঁহিলে মাথোন।

স্তব্ধ হৈ থকা সুশেমে দল-নায়কক ক'লে, "কিন্তু এই কথা মোক কোৱা নাছিল কিয় ?"

"এই শুভ সমাচাৰ পোৱা মাত্রেই মহাৰাজে আপোনাক বিচাৰিছিল। কিন্তু আপনি যে ক'ত আছিল — সেই কথা কোনেও ক'ব পৰা নাছিল।" দল-নায়কে ক'লে।

"মই বুজাখিনি বুজিছোঁ, তুমি মনে মনে থাকাঁ।" এই বুলি কৈ সুশেমে অস্থিৰভাবে তাতেই পাইচাৰি কৰিবলৈ ধৰিলে। অশোকে ইমান সহজভাবে মাত্র এদিনতে তক্ষশীলাৰ ৰাজদ্রোহ দমাব পাৰিব বুলি সুশেমে কল্পনাও কৰিব পৰা নাছিল। কিন্তু—অশোকৰ এই বিজয়লাভৰ অর্থ যে সুশেমৰ পৰাজয়—সেই সাৰ কথাটিও সুশেমে পাহৰিব পৰা নাছিল।

দল-নায়ক তেতিয়াও পৰমবাধ্য সৈনিকৰ দৰেই থিয় হৈ আছিল। সুশেম দল-নায়কৰ ওচৰলৈ আহিল।

তেতিয়া তাত আৰু কোনো নাই। কেৱল দল-নায়ক আৰু সুশেম। অকস্মাৎ সুশেমে তাৰ হাতৰ আঙুলিৰপৰা হীৰাৰ আঙঠিটো সোলোকাই লৈ দল-নায়কৰ হাতৰ আঙুলিত পিন্ধাই দিলে আৰু মিঠাকৈ হাঁহি মাৰি দল-নায়কলৈ চালে আৰু ক'লে, "তুমি শুভ সমাচাৰ কঢ়িয়াই অনাৰ বাবে তোমাক এই পুৰস্কাৰ দিলোঁ। কাইলৈ—ইয়াতোকৈ ডাঙৰ পুৰস্কাৰ তুমি পাবা।"

"মই আপোনাৰ ওচৰত কৃতজ্ঞতা প্রকাশ কৰিছোঁ, যুৱৰাজ !" দল-নায়কে হাত যুৰি

সুশেমক নির্লিপ্ত মুখভাবেৰে ক'লে।

"কিন্তু—ডাঙৰ পুৰস্কাৰ পাবলৈ হ'লে—তুমি সকৌকে কাম এটি কৰিব লাগিব।" সুশেমে দল-নায়কক ক'লে।

"আদেশ কৰক।"

"পাছত। আগতে কোৱাঁ—মই কোন?"

"কি কথানো কৈছে? আপুনি — যুৱৰাজ!" দল-নায়ক ক'লে।

"আজি মই যুৱৰাজ। তো—কালিলৈ—বা ভৱিষ্যতলৈ মই এই সাম্ৰাজ্যৰ কি হ'ম?" সুশেমে সুধিলে।

"আপুনিয়েই হ'ব মগধৰ মহাৰাজ।"

"চাব্—বাইচ!"

সুশেমে দল-নায়কৰ পিঠিত থপৰিয়াই কৈ উঠিল, "একেবাৰ সঠিকৰো সঠিক কথাকে কৈছা তুমি। পিছে—হ'ব ধৰা মহাৰাজক এতিয়া যদি সামাইনমান সহায় কৰাঁ, তোমাৰ ভৱিষ্যৎসোণোৱলী হ'ব বুলি জানি থোৱা।"

"আদেশ কৰক, মহাৰাজ, আপোনাৰ আদেশ পালন কৰিম।" দল-নায়কে ক'লে।

"শুনা, দাসীপুত্ৰ অশোক কেতিয়াও ৰজা হ'ব নোৱাৰে। গতিকে—তাৰ অভিনন্দন-সমাৰোহ বিশেষ ভাবে হ'ব লাগিব। আৰু—সেই বন্দৱস্ত তুমিহে কৰিবা, কিয়নো, এই দায়িত্ব তোমাক দিয়া হৈছে। — মোৰ কথা ঠিকেঠাকে ঠৰৰ কৰিব পাৰিছানে?" সুশেমে দল-নায়কক ঠাৰে-ঠোৰে সুধিলে।

এইবাৰ দল-নায়কৰ মুখখন শেঁতা পৰিল। সুশেমে দল-নায়কৰ হাতত ধৰি ক'লে, "কাপুৰুষৰ দৰে ভয় খাইছানো কিয়? যদি আগলৈ মগধ-সাম্ৰাজ্যৰ সেনাধিপতি হোৱাৰ মন আছে—মোৰ কথাখিনি মনপুতি শুনা। — তুমি মোৰ কাৰণে কি কৰিবা—পাছত তোমাক বুজাই ক'ম। এতিয়া মোৰ লগে লগে

আহি থাকাঁ।" এই বুলি কৈ, সুশেমে সেই পৰমবাধ্য দল-নায়কক উপবনৰ সিচুকত থকা বিৰাট জোপোহা এডৰাৰ আঁৰলৈ লৈ গ'ল।

পাছদিনা—অশোকলৈ অভিনন্দন জ্ঞাপন কৰিবলৈ ভালেমান প্ৰমুখ ব্যক্তি উপবনলৈ আহিল। এওঁলোকৰ মাজত মগধৰ প্ৰধানমন্ত্ৰী, অন্যান্য মন্ত্ৰী, সেনাধিপতি, দল-নায়ক, অধিকাৰী, পৌৰ-প্ৰমুখ, ৰাজ-পৰিয়ালৰ বহু সংখ্যক সদস্যও আছিল। আৰু আছিল—সুশেম আৰু তাৰ লগত তাৰ ভায়েকসকল।

বেলি প্ৰায় মাৰ যাওঁ যাওঁ, কিন্তু অশোকৰ তেতিয়ালৈকো উম-ঘাম নাই। প্ৰধানমন্ত্ৰীয়ে সেনাধিপতিক সুধিলে, "আমাৰ যুৱৰাজৰ ইমান পলম হোৱাৰ হেতুনো কি ?"

সেনাধিপতিয়ে ক'লে, "বেলি লহিউৱাৰ আগতেই আহি পাব লাগিছিল। নিশ্চয় কিবা—কিবা অনিবাৰ্য্য কাৰণত—"

কওঁতে কওঁতেই চাবেৰে ঘোঁৰা চলাই ধূলা উৰুৱাই এজন ৰাজসৈনিক তালৈ আহিল আৰু ঘোঁৰাৰপৰা জঁপ মাৰি নামি আছি প্ৰধানমন্ত্ৰীক ক'লে, "বিষ্ণুপুৰীয়া প্ৰজা-ৰাইজে মাজবাটত যুৱৰাজক ৰখাই স্বাগত-সৎকাৰ কৰাত যুৱৰাজে সময় মতে ইয়ালৈ আহিব পৰা নাই। যদিও—তেওঁ অলপতেই আহি পাবহি।"

ওচৰতে নিমাতে-নিঃচুপে থিয় হৈ থকা সুশেমে তাৰ মিত্ৰ-বন্ধু অনুচৰহঁতলৈ চাই হাঁহো-নেহাঁহোঁ ধৰণে ব্যংগভৰা হাঁহনে হাঁহিলে। অশোকক বাটত বাধা দিয়াৰ এই আঁচনি যে সফল হৈছে—সেই কথা ভাবি সুশেমে ভাল পালে। সিহঁতৰ আঁচনিমতে অশোক সাঁজ লাগি ভগাৰ পাছতহে উপবনলৈ সোমাব পাৰিব। আৰু—সোমাওঁতে যি কাণ্ড হ'ব—ভাবি ধক পুৰি খোৱা টিঙত কোবোৰা সুশেমৰ —আৰু তাৰ অনুচৰহঁতৰো নধৰ-নপৰ লাগি গ'ল।

এই উপবনলৈ সোমাওঁতে এঠাইত নৈৰ মথাউৰিৰ ওপৰত এটা টিলাৰ দৰে শিলৰ দ'ম আছিল। নৈৰ ঢলনি পাণীক ভেটিবলৈহে এই শিলৰ দ'ম। এই মথাউৰি আজিৰ নাছিল, এই মথাউৰি আছিল মৌৰ্য্য সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা চন্দ্ৰগুপ্তৰ আমোলৰ। গতিকে—মথাউৰি, বিশেষকৈ শিলৰ দ'মটো জৰা-জীৰ্ণ হৈ আছিল।

চাওঁতে চাওঁতে বেলি মাৰ গ'ল, পৰিপূৰ্ণ এন্ধাৰে পৃথিৱীখনক ঢাকি ধৰিলে, আৰু ঠিক

তেতিয়াই একেলগে সহস্ৰ ঘোঁৰাৰ খুৰাৰ শব্দ, মানুহৰ সম্মিলিত হৈ-চৈ, আৰু লগতে ধ্বনি উঠিল : জয় মৌৰ্য্য চক্ৰৱৰ্তী প্ৰজামংগলকাৰী মহাৰাজ বিন্দুসাৰৰ জয় !

উপবনত সম্মিলিত সকলোটিয়েই এইবাৰ উৎসাহিত হৈ উঠিল, আৰু তেওঁলোকে ধ্বনিলে : বিৰাধীবীৰ যুৱৰাজ আশোকৰ জয় হওক, যুৱৰাজ অশোক দীৰ্ঘজীৱি হওক !

সুশেম আৰু তাৰ অনুচৰহঁত উদ্বিগ্ন হৈ উঠিল। যদি আঁচনিমতে কাম নহয়—সিহঁতৰ সকলো পৰিকল্পনা ভেস্তি যাব।

ইপিনে — ফুল-মালা হতত লৈ মগধ সাম্ৰাজ্যৰ প্ৰধানমন্ত্ৰী অত্যুগ্ৰ আগ্ৰহৰে বৈ আছিল অশোকক — বীৰ অশোকক মাল্যভূষিত কৰিবলৈ।

উপবনত গোটা খোৱা সকলোটিয়েই আছিল আশোকলৈ ৰঙা থঙা পাৰি দিয়াৰ মনেৰে ৰঙা-ৰচঙা। কেৱল সুশেম আৰু তাৰ লগাভগাহঁতহে আছিল ৰঙা-ক'লা তিনি বৰণীয়া। কিন্তু উপবনৰ সম্মিলিত আনন্দৰ সুতীব্ৰ জোৱাৰত সুশেমহঁতৰ নিৰানন্দতা কুটাৰ দৰে উটি নোহোৱা হৈ গ'ল।

কিন্তু সেই আনন্দৰ জোৱাৰ চাওঁতে চাওঁতে দুখৰ সাগৰলৈ পৰ্য্যৱসিত হ'ল !

অকস্মাৎ আকাশ ফালি আৰ্ত-চিঞৰ মৃত্যু -চিঞৰ উঠিল, হাহাকাৰেৰে আকাশ-বতাহ বিদীৰ্ণ হৈ উঠিল।

কি হ'ল—কি হ'ল বুলি সকলোটিয়েই সেই ফাললৈ প্ৰধাৱিত হ'ল।

আৰু ঠিক সেই মুহূৰ্ততে তীব্ৰ বেগেৰে অশ্বাৰূঢ় অশোক জনতাৰ ভিৰ ফালি ওলাই আহি আৰু প্ৰধানমন্ত্ৰীক গহীন কণ্ঠেৰে ক'লে, "এতিয়া সকলো অনুষ্ঠান স্থগিত ৰাখক। মথাউৰিৰ শিলৰ দ'মৰ তলত যিসকল চেপা খাই আছে সিসকলৰ উদ্ধাৰ আৰু এই সৰ্বনশীয়া ঘটনা ঘটোৱা ঘেকেটা খোৱা ঘঁৰিয়ালবিলাকৰ সৎকাৰেই হ'ল ঘাই কথা। এই সাত ঘাটৰ চেঙেলীহঁতক ধৰি ঘেনেকৈয়েই নহওক সাতপানী পিয়াবই লাগিব। এই সলি-সিয়ানহঁতে মথাউৰিৰ শিলৰ দ'মৰপৰা চটাচটে শিল বগৰাই আমাৰ বহুতকে নিহত কৰিলে, অসংখ্যাত আহত কৰিলে। এইবোৰক আমি নিশ্চয় শুদাই নেৰিম। আঁৰণিৰ আঁৰত কোন—নিশ্চয় তাৰ ভেদ ভাঙিম। [আগলৈ

বন্ধুত্বৰ অতৰ্কী মহিমা

সত্যনাথ কেৱল সত্যবাদীয়েই নাছিল, অতি সাৱধানীও আছিল। যি কি নহওক, তেওঁৰ ছোৱালীজনীৰ বিয়া পাতিবৰ বাবে তেওঁক কিছুখিনি ধন লগা হ'ল, আৰু সেই ধন কৰ্জা কৰি আনিবলৈ সত্যনাথ গাঁৱৰে মহন্তমহাজনৰ কাষ চাপিল। কিন্তু মহন্তমহাজনে সত্যনাথক ধন ধাৰলৈ দিবলৈ অস্বীকাৰ কৰিলে।

এই ঘটনাৰ কেইদিনমানৰ পাছত জমিদাৰৰ চিৰস্তাত চাকৰি এটা খালী হ'ল। টকা-পইচাৰ হিচাপ জনা, বিশেষকৈ সুতৰ সঠিক হিচাপ কৰি উলিয়াব পৰা মানুহ এজন জমিদাৰ ডাঙৰীয়াক লাগে। খবৰ পাই ঢেৰ চাকৰি-প্ৰাৰ্থী ঢপলিয়াই আহিল, শেহলৈ মাত্ৰ দুজনক বাছি উলিউৱা হ'ল। এই দুজনৰ এজন আছিল মহন্তমহাজনৰ পুতেক বসন্ত।

সত্যনাথ পুনৰ মহন্ত মহাজনৰ ওচৰলৈ গ'ল আৰু মহন্তক ক'লে, "জমিদাৰৰ চিৰস্তাৰ চাকৰিটো—বসন্তই পায় যদি—আমিও ভালেই পাম। পিছে মদনপুৰৰ-পৰা অহা ৰতনো প্ৰাৰ্থী হিচাপে ভাল, আৰু যিমানদূৰ জানিছোঁ—জমিদাৰৰ দেৱানে ৰতনকে ল'ব বুলি খাটাং কৰিলেই। মই জমিদাৰ প্ৰভাকৰক অৱশ্যে ক'ব পাৰোঁ আমাৰ বসন্তক ল'বলৈ। প্ৰভাকৰ জমিদাৰ মোৰ সৰুকালৰ বন্ধু, সহপাঠী। তুমি এটা কাম কৰা। মোক তিনি হেজাৰ ৰূপ দিয়া। বসন্তই চাকৰিটো পাবই। যদি নাপায়—মই টকাখিনি তোমাক তৎক্ষণাৎ ঘূৰাই দিম।" মহন্তমহাজনে কোনো মন্তব্য নকৰি চুপচাপ টকা তিনিহেজাৰ সত্যনাথক দিলে। চাকৰিটো বসন্তয়েই পালে।

কথাখিনি যেতিয়া সত্যনাথৰ পৰিবাৰ সৰেচতীয়ে জানিলে, তেতিয়া সৰেচতীয়ে গিৰিয়েক সত্যনাথক ক'লে, "জমিদাৰ যে আপোনাৰ বন্ধু—আগতে কোনোদিনেই মোক কোৱা নাছিল কেলে" ?

সত্যনাথে হাঁহি মাৰি ক'লে, "প্ৰভাকৰ জমিদাৰ কোনোদিনেই মোৰ বন্ধু নাছিল, এতিয়াও নহয়। মই তেওঁৰ ওচৰলৈ যোৱাও নাই কোৱাও নাই আৰু বসন্তক চাকৰিটো মই দিয়াও নাই। সকলো ঘটনাক্ৰমে যথাৰং হৈছে, মোৰো টকা তিনিহেজাৰ পাই বৰ উপকাৰ হৈছে। বসন্তই বসন্তৰ বুদ্ধিৰ চাকৰিটো পালে, আৰু মই মোৰ বুদ্ধিৰে ধন পালো। মহন্তৰ টকাখিনি এদিন সুতে-মূলে শোধাম, আৰু আমাৰ পাপৰিৰ বিয়াখন পাতিম।"





অজান পাপ

অটল-অদম্য ৰজা বিক্ৰমাদিত্যই পুনৰ গছৰ ডালত ওলমি থকা সেই মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ মহাশ্মশানেলৈ বুলি গৈ থাকোঁতে মৃতদেহস্থ অশৰীৰী বেতালে কৈ উঠিল, "হে ৰজা, কিছু দিনৰপৰা মোৰ মনত এক ধাৰণাই শিপাইছে যে—তুমি কিজানি এই অকল্পনীয় কষ্টকৰ তথা ভয়াবহ কাৰ্য্য এৰিব খুজিও এৰিব পৰা নাই। মানৱে কেতিয়াবা জানি বুজিও পাপ কৰি পেলায়, অজান পাপৰ তো সীমা-সংখ্যা নাই। সেইবোৰ পাপহেতুকে দেৱতাসকলে, বা মুনি-ঋষি সকলেও অভিশাপ দিয়ে, আৰু সেই অভিশাপৰ ফলত জীৱন জুৰুলা পৰে, মানৱে বাধ্যত পৰি নকৰিবলগীয়া কামও কৰে, বিহ খাই বিহ ভোগে। আজি মই তোমাৰ জ্ঞানাৰ্থে তোমাক ৰাজকুঁৱৰী সুনয়নাৰ কহিনী শুনাম।" বেতালে কৈ থাকিল :

বেতাল-কথা

বিনয়পুৰীৰ ৰজাই বিছ বছৰৰ আগতে বিবাহ কৰা সত্ত্বেও অদ্যাপি কোনো সন্তানৰ পিতৃ হ'ব নোৱৰাত তেওঁৰ অন্তৰ সদায় বেদনাৰে গধুৰ হৈ আছিল। সন্তানৰ আশাৰে ৰাজ-দম্পতিয়ে সকলো দেৱতালৈ প্ৰাৰ্থনা জনাইছিল, অসংখ্য পুণ্যক্ষেত্ৰলৈ গৈছিল, অসংখ্যাত মানস কৰিছিল, মানস পূৰ্ণও কৰিছিল—কিন্তু তাৰে কোনো ফল নহৈছিল।

এনিশা দুৰ্বাদল বৰষুণৰ লগতে কান-তাল মৰা বজ্ৰধ্বনি হৈ থকাত ৰাণীৰ নিদ্ৰাভংগ হ'ল, আৰু তেওঁ খিৰিকীৰে বাহিৰলৈ চাই বিজুলী-চমকনিৰ লগতে এক অপৰূপ দেৱীমূৰ্তি দেখা পাই বিস্ময়ত হতবাক হ'ল। ঠিক তাৰ পাছত ধুমুহা-বৰষুণ শান্ত হ'ল আৰু ৰাণী পুনৰ শান্তিৰে নিদ্ৰাভিভূতা হ'ল। ৰাণীয়ে নিদ্ৰাৰ মাজতে এক সপোন দেখি থাকিল। সপোনত দশপ্ৰহৰণধাৰিণী দেৱী দুৰ্গাই ৰাণীক দেখা দিলে আৰু ক'লে, "সপ্তপৰ্বত নামৰ সুপ্ৰাচীন পৰ্বতত থকা মোৰ মন্দিৰ এতিয়া জৰাজীৰ্ণ। সেই মন্দিৰ সংস্কাৰ কৰি পুনৰুদ্ধাৰ কৰিব লাগে। এই কাৰ্য্য তোমালোকৰ পক্ষে অতি শুভপ্ৰদ হ'ব।" এই বুলি কৈয়েই দেৱী দুৰ্গা অন্তৰ্হিতা হ'ল।

ৰাণীয়ে উপজিপুৱাতে সাৰ পালে আৰু ৰজাকো সাৰ পোৱালে আৰু এই সপোনৰ কথা ক'লে।

সেই দিনাই—ৰাণীক, আৰু কিছুমান অনুচৰক লগত লৈ মহাৰাজ সপ্ত পৰ্বতলৈ গ'ল আৰু বহু কষ্টেৰে পাহাৰ বগাই সুপ্ৰাচীনকালৰ দেৱী দুৰ্গাৰ সেই জহি-খহি পৰা মন্দিৰ পালেগৈ।

মহাৰাজে অনতিপলমে এই মন্দিৰ সংস্কাৰ তথা পুনৰ নিৰ্মাণৰ বন্দৱস্ত কৰিলে।

তাৰ পাছত, যিদিনা এই সুপ্ৰাচীন মন্দিৰত দেৱী দুৰ্গাৰ আৰাধনা আৰম্ভ হ'ল, সেই দিনাই মহাৰাণী গৰ্ভৱতী হোৱাৰ কথাটোও জনা গ'ল। ৰাজ-পৰিয়ালত অনন্দৰ পাৰ-কূল নোহোৱা হ'ল। গৰ্ভৱতী অৱস্থাত মহাৰাণীক সেই পৰ্বতলৈ তথা দুৰ্গা দেৱীৰ মন্দিৰলৈ যাবলৈ বাধা দিয়া হ'ল আৰু ডাঙৰ সকলৰ এই পৰামৰ্শৰূপী বাধা মহাৰাণীয়ে বাধ্যত পৰি মানিবলগীয়া হ'ল। আৰু তাৰ পাছত — নও মাহৰ অন্তত—মহাৰাণীয়ে এক ৰূপময়ী কন্যাসন্তান প্ৰসৱ কৰিলে। কন্যাসন্তানটিৰ মুখ-সৌন্দৰ্য্য গাত্ৰাবৰণ বা অন্যান্য সৌন্দৰ্য্যক

চেৰাই হৰিণীৰ দৰে আয়ত বিস্তৃত সপ্ৰাণ-সজীৱ চকুযুৰিয়েই আছিল চাবলগীয়া। তাইৰ চকুলৈ চালে চকু ৰৈ যায়, হৃদয়-মনত আলোক-পুলকৰ ঢল বৈ যায়। আৰু এই কাৰণেই সেই কন্যা-সন্তানটিৰ নামকৰণ কৰা হ'ল — সুনয়না।

কিন্তু ইমান পাৰ-ওপোচা আনন্দৰ মাজত ৰাজবৈদ্যৰ কথাই যেনিবা এক মহাবজ্ৰাঘাতৰ সৃষ্টি কৰিলে। ৰাজবৈদ্যই ঘোষণা কৰিলে যে—এই কন্যাসন্তান জন্মান্ধ!

এই অকল্পনীয় অশুভ বাৰ্তাই ৰাজ-দম্পতিক আৰু প্ৰজা-ৰাইজকো বিস্ময়াহত-বিমৰিষ কৰি তুলিলে।

কাল ৰৈ নাথাকে, কালস্ৰোত প্ৰবাহিত হৈ থাকে, প্ৰবাহিত হৈ থাকিল। আৰু—অপাৰ অপৰিমেয় সৌন্দৰ্য্য-ৰাশিৰে সুনয়না চন্দ্ৰ-জিনি-ৰূপময়ী হৈ ডাঙৰ-দীঘল হৈ থাকিল। তাই বিবাহযোগ্যা হৈ উঠিল। কিন্তু দৃষ্টিহীনা বুলি জানিও তাইক যে কোনো ৰজাৰ কোঁৱৰেই বিবাহ নকৰায়—সেই কথাতে ৰাজদম্পতিৰ অন্তৰাত্মা গধুৰৰো গধুৰ হৈ থাকিল।

মাতৃ-পিতৃৰ এই মনোবেদনাৰ কথা উপলব্ধি কৰি এদিন সুনয়নাই তেওঁলোকক ক'লে, "মোৰ বিবাহৰ কথাত আপোনালোক চিন্তিত বা ব্যথিত নহওক। মোৰ বিবাহৰ দায়িত্ব পৰিপূৰ্ণৰূপে—মোক পৃথিৱীৰ মাটিলৈ লৈ অহা দেৱী দুৰ্গাক প্ৰদানক।"

সুনয়নাই প্ৰতিদিন আবেলি পৰতে তাইৰ বছা বছা সখিয়েক কেইজনীমানক লগত লৈ সপ্তপৰ্বতস্থিত দেৱী দুৰ্গাৰ মন্দিৰলৈ গৈছিল

আৰু দেৱী দুৰ্গাক সাষ্টাংগে প্ৰণামৰ অন্তত মন্দিৰৰ পিছফালে বিৰাট গছ এজোপাৰ তলত বহি দখিণাৱৰীৰ বা-ত জুৰ পৰিছিল।

এদিন তাই যেতিয়া মাত্ৰএজনী সখিয়েকক লগত লৈ মন্দিৰৰ পিছফালে বহি জিৰণি লৈ আছিল, তেতিয়া সখিয়েক সুচৰিতাই সুনয়নাৰপৰা গীত শুনিব খোজাত সুনয়নাই মধুৰ কণ্ঠেৰে দেৱী দুৰ্গাৰ স্তৱ গাই থাকিল, আৰু এই ছেগতে সুনয়নাক একো নোকোৱাকৈয়েই সুচৰিতাই তাইৰ প্ৰেমিকৰ সৈতে লুকাই-চুৰকৈ দেখা কৰিবলৈ গ'ল।

আৰু ঠিক তেতিয়াই দেশভ্ৰমণ তথা পৰ্যটন কৰি থকা চন্দ্ৰগিৰি ৰাজ্যৰ যুৱৰাজ চিত্ৰকৰ সুধাকৰ সেই ঠাইলৈ আহিল।

সুনয়নাই তেতিয়াও মৌ-মিঠা কণ্ঠেৰে গীত

গাই আছিল, সুধাকৰে অপলক দৃষ্টিৰে সেই অভাৱিত সৌন্দৰ্য্যময়ীলৈ অপলক দৃষ্টিৰে চাই থাকিল।

সুনয়নাৰ অপাৰ অভূতপূৰ্ব সৌন্দৰ্যই যুৱৰাজ সুধাকৰক বিস্ময়স্তব্ধ কৰি তুলিছিল আৰু তেতিয়াই চিত্ৰকৰ ৰাজকোঁৱৰ সুধাকৰে সেই অশ্ৰুতপূৰ্ব ৰূপৰাশি তুলিকাৰে চিত্ৰিত কৰিবলৈ ধৰিছিল।

সুনয়নাৰ গীত আৰু সুধাকৰৰ চিত্ৰাঙ্কণ যেতিয়া সমাপ্ত হ'ল—ঠিক তেতিয়াই সুনয়নাৰ সখিয়েক সুচৰিতা উভতি আহিছিল।

সুচৰিতাই সুধাকৰক দেখা পোৱা নাছিল। কিয়নো—কোনোবা-কুনুবি তালৈ আহি থকাৰ শব্দ উঠাত আগন্তুক সুধাকৰ এচটা ডাঙৰ শিলৰ আঁৰত লুকাইছিলগৈ।

সুচৰিতাই সুনয়নাক ক'লে, "যুৱৰাণী, সাঁজ লাগি ভাগিবৰ হ'ল, ব'লক, প্ৰাসাদলৈ উভতি যাওঁ।"

এই ৰূপময়ী এই ৰাজ্যৰ যুৱৰাণী, এই কথা শুনি সুধাকৰে যেনেকৈয়েই নহওক এই অপাৰ-অপূৰ্ব সেন্দৰ্য্যময়ীক বিবাহ কৰাব বুলি দৃঢ় সংকল্প কৰিলে।

তাৰ পাছত যুৱৰাজ সুধাকৰে পৰ্য্যটন সমাপ্ত কৰি ৰাজধানী পালেহি। পিতৃদেয় পুত্ৰক সুধিলে, "তোমাৰ পৰ্য্যটন আনন্দকৰ হৈছিল নিশ্চয় ?"

সুধাকৰে মিঠাকৈ হাঁহিৰে মূৰ দুপিয়ালে। আহাৰাদিৰ অন্তত জিৰণি লোৱাৰ পৰতে সুধাকৰৰ পিতৃদেৱ কান্তিবৰ্মাদেৱে সুধাকৰক ক'লে, "পুত্ৰ, এটি অতি শুভ সমাচাৰ শুনা। আমাৰ ৰাজ-চক্ৰৱৰ্তী মহামহিম ভুৱনেশ্বৰ মহাৰাজে তেওঁৰ একমাথোন পুত্ৰী কাঞ্চনমালাক তোমাৰ হাততে দিবলৈ আমালৈ কটকীৰ যোগে প্ৰস্তাৱ পঠাইছে। জানাই, মই তেওঁৰ অধীনস্থ সামন্ত-ৰজা। এই বিবাহ আমাৰ পক্ষে অতি শুভদায়ক হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। এই বিষয়ে তোমাৰ মতামত কি ?"

সুধাকৰে এদিন নিমন্ত্ৰিত হৈ ভুৱনেশ্বৰ মহাৰাজৰ প্ৰাসাদলৈ গৈ যুৱৰাণী কাঞ্চনক দেখা পাইছিল। কাঞ্চনৰ এখন ভৰি আছিল খোঁৰা, আৰু তাই আছিল কিঞ্চিত ভেৰেহীবিধৰ।

সুধাকৰে ক'লে, "মোৰ মতামত হ'ল এয়ে যে—মই সেই গাদহী-লেঙেৰীজনীক বিবাহ কৰাব নোৱাৰিম—এই কথা কোৱাৰ বাবে মোক ক্ষমা কৰক। আৰু —"

বৈ দিয়াত পিতাকে পুত্ৰলৈ জিজ্ঞাসু দৃষ্টিৰে চালে, "আৰু —? আৰু কি —"

"আৰু — মই বিনয়পুৰীৰ যুৱৰাণী সুনয়নাক বিবাহ কৰাম — এয়ে মোৰ আন্তৰিক ইচ্ছা।" এই বুলি কৈ, সুধাকৰে সুনয়নাৰ চিত্ৰখন পিতৃৰ হাতত দিলে।

পিতৃ কান্তিবৰ্মাদেৱে সুনয়নাৰ সৌন্দৰ্য্য-মোহিত হৈ নিৰ্বাক হৈ গ'ল। তাৰ পাছত তেওঁ সুধাকৰক ক'লে, "মোৰ কথাত বেয়া নাপাবা। ৰাজচক্ৰৱৰ্তী ভুৱনেশ্বৰৰ প্ৰস্তাৱ আমি যদি অগ্ৰাহ্য কৰোঁ, আগলৈ এই অগ্ৰাহ্যতাৰ পৰিণাম অতি সংকটময় হ'ব বুলি মোৰ ধাৰণা। আনকি — আমাৰ এই ৰাজ্য তেওঁ অধিকাৰ কৰিব পাৰে।"



সামন্তৰজা কান্তিবৰ্মাই তেওঁৰ পুত্ৰৰ গোঁৰৰামিৰ কথা আমঠালিৰ কথা বিশদভাৱেই অৱগত আছিল। গতিকে—ৰাজ্য তল গ'লেও যে তাৰ গোঁৰাৰ মনোভাব তল নপৰিব—সেই কথা জানি তেওঁ সুনয়নাৰ বা-বৃত্তান্ত গুপুতে জানিবলৈ এজন বিশ্বস্ত চোৰাংচোৱাক বিনয়নগৰলৈ প্ৰেৰণ কৰিলে।

প্ৰায় চাৰিদিনৰ পাছত বিনয়নগৰৰপৰা উলটি সেই চোৰাংচোৱাই কান্তিবৰ্মাদেউক এই সম্বাদ দিলে যে—সুনয়না অপূৰ্ব সুন্দৰী আৰু যুৱৰাণী হ'লেও—ওপজাৰেপৰাই অন্ধ।

তেতিয়া কান্তিবৰ্মাই তেওঁৰ পুত্ৰ সুধাকৰক ক'লে, "পুত্ৰ, তুমি সুনয়নাক দেখিছা, সুনয়ানই কিন্তু তোমাক দেখা নাই। কিয়নো—সুনয়না জন্মৰেপৰাই দৃষ্টিহীনা।"

ক্ষণমাত্ৰৰ বাবে ৰাজকোঁৱৰ সুধাকৰ ভেবুৱা লাগিল, কিন্তু পাছ মুহূৰ্ততে কৈ উঠিল, "এয়া অতি সুসংবাদ! মোৰ পক্ষে অতি ভাল সংবাদ। মই সুনয়নাকে বিবাহ কৰাম।"

কান্তিবৰ্মাই ক'লে, "ঠিক আছে, তোমাৰ বিবাহ অৱশ্যেই সুনয়নাৰ সৈতেই পতা হ'ব।" এই বুলি কৈ তেওঁ পুত্ৰক আশীৰ্বাদ কৰিলে আৰু নিজ কক্ষলৈ বুলি খোজ ল'লে।

ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! সুধাকৰে মহাৰাজ ভুৱনেশ্বৰৰ জীয়েক কাঞ্চনমালাক বিবাহ নকৰালে তেওঁ ৰাজ্যহীন হ'ব বুলি কান্তিবৰ্মাই ভয় খাইছিল। ইপিনে—চোৰাং-চোৱাৰ যোগেদি জানিছিল যে সুনয়না সুন্দৰী, কিন্তু দৃষ্টিহীনা। যিকোনো ফালৰেপৰাই ভাবি চালে তেওঁ তেওঁৰ পুত্ৰ সুধাকৰক সুনয়নাৰ

সলনি কাঞ্চনমালাক বিয়া কৰাবলৈ জোৰ-জবৰি কৰাটোহে আছিল স্বাভাৱিক কথা ; সুধাকৰৰ আঁকোৰগোঁজালিৰ বিৰুদ্ধে অসহযোগ কৰাটোহে আছিল বাস্তৱ কথা ; কিন্তু তাৰ সলনি তেওঁ তেওঁৰ পুত্ৰৰ ইচ্ছাক মানি লৈ আশীৰ্বাদ কৰিছিল কিয় ? আৰু এটা কথা, সুধাকৰে সুনয়নাৰ দৃষ্টিহীনতাৰ কথা জানি আনন্দিত হৈছিল কিয় ? পিতা-পুত্ৰ উভয়েই কিবাধৰণে শাপগ্ৰস্ত আছিলনে ? মোৰ এই সন্দেহৰ সঠিক উত্তৰ জানিও যদি তুমি নোকোৱা, হে ৰজা বিক্ৰমাদিত্য, তোমাৰ মূৰ ফাটি অৱশ্যেই চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "ৰজা কান্তিবৰ্মাই পোনতে পুত্ৰ সুধাকৰৰ প্ৰস্তাৱ—সুনয়নাক বিয়া কৰোৱাৰ প্ৰস্তাৱ অগ্ৰাহ্যয়েই কৰিছিল, আৰু এই বিবাহত তেওঁৰ আপত্তিও দৰ্শাইছিল। কিন্তু পাছত যে আশীৰ্বাদ কৰিছিল, তাৰ কাৰণ হ'ল সুধাকৰে অন্ধ ছোৱালী এজনীক বিয়া কৰোৱাৰ সম্বাদ পাই ৰাজচক্ৰৱৰ্তী ভুৱনেশ্বৰ মহাৰাজৰ ক্ৰোধ প্ৰশমিত হ'ব বুলি সামন্তৰজা কান্তিবৰ্মাই ভাবিছিল। কান্তিবৰ্মাই ভাবিছিল যে মহাৰাজ ভুৱনেশ্বৰে সুধাকৰক এক ত্যাগব্ৰতী যোগী পুৰুষ বুলিও ভাবিব পাৰে, নহ'লে এটা কাষ্ঠমূৰ্খ বুলিও ভাবিবৰ থল ওলাব পাৰে ; কিয়নো নহ'লে জানি-বুজি কোনো চেতনাসম্পন্ন মানুহে জন্মান্ধ এজনীক বিয়া কৰাব নোৱাৰে এই ধাৰণা হোৱাৰ সম্ভাৱনা আছিল বুলিয়েই কান্তিবৰ্মাই নিঃচিন্ত মনেৰে তেওঁৰ গোঁৱাৰ পুত্ৰৰ গোঁৱাৰামিলৈ আশীৰ্বাদ কৰিছিল। এতিয়া সুধাকৰৰ কথা। সুনয়নাক জন্মান্ধ বুলি জানি প্ৰথমতে বিস্ময়স্তব্ধ হৈ পৰিছিল, কিন্তু পাছত আনন্দিত হৈছিল কিয়—তাৰ উত্তৰ অতি সহজ। সুধাকৰ ৰাজপুত্ৰ আছিল, কিন্তু দেখাত আছিল অতি কুৎসিত মুখশ্ৰী সম্পন্ন। অন্ধ সুনয়নাই যে তেওঁৰ অগঢ়ী মুখখন দেখা নাপাব—সেই কথা ভাবিয়েই সুধাকৰ আনন্দিত হৈছিল। এই ক্ষেত্ৰত শাপগ্ৰস্ততাৰ কোনো প্ৰশ্ন নাই। আচলতে—শাপগ্ৰস্ততা বা অজান পাপৰ ফল বোলা একো নাই। যি আছে সি হ'ল ভাগ্য-দুৰ্ভাগ্য ক্ষমতা-অক্ষমতা।"

এই কথা শুনি বেতালে মৰা শ'টো লৈ পুনৰ সেই গছজোপালৈ সাউৎকৰে গুচি গৈ সেই ডালতে ওলমি দিলে। [কল্পিত



নলগা তামোলৰ আঁটি

মহাদেৱ জমিদাৰৰ ঘৰত চুৰি কৰোঁতে ভূষণ চোৰ হাতে-লুটে ধৰা পৰিছিল আৰু বিচাৰত দুবছৰৰ ফাটক হৈছিল। আজি সি ফাটকৰপৰা ওলাল। কতোৱালে ভূষণক সুধিলে, "এতিয়া নিশ্চয় বুজি পাইছা যে চুৰি কৰাটো ডাঙৰ অপৰাধ। বুজি পাইছানে নাই ?"

ভূষণে নম্রতাৰেৰেই ক'লে, "চুৰি যে অপৰাধ—কোনেনো নাজানে হুজুৰ ?"

"জানিছিলাই যদি—চুৰি কৰিছিলানো কেলেই বাৰু ?"

কতোৱালৰ প্রশ্নৰ উত্তৰত ভূষণে ক'লে, "ডাঙৰহঁতে কয় যে—বংশগত কাম এৰিব নাপায়। এতিয়া—মই যদি কওঁ যে চুৰি কৰা অনিয়ায়, তেনেহ'লে উপৰিপুৰুষহঁতক অস্মানহে কৰা হয়।"

কতোৱালে মুচুককৰে হাঁহি মাৰি ক'লে, "এতিয়া কোৱাঁ, বাহিৰলৈ গৈ কি কৰিবা।"

"যাৰ যি কাম—। যথাৰং কণামাকৰি চাফা কৰি থাকিম।" ভূষণে ক'লে।

"মোল্লগত ধেমালি কইছ্ছানে কি —? ইমানেই সাহস হ'লনে তোমাৰ ?" কতোৱালে কক্ককাই উঠি ক'লে।

ভূষণে হাত যুৰি ক'লে, "হুজুৰ, আপোনাৰ লগত এছালি-এমালি-ধেমালি কৰিব পাৰোঁনে মই ? আপুনি কি—আৰু মই কি !"

"বেতেৰি-বন্ধীয়াকৈ কথা নোকোৱা। যি ক'বা—হোলাবভাই মোলাৰ দৰে চাফ-চাফ ক'বা।" কতোৱালে ভূষণক যেনিবা কাঠ-চবহে মাৰিলে।

কেইক্ষন্তেকপাৰলৈ তাপ মাৰি থকাৰ অন্তত ভূষণে লাহে-ধীৰে কৈ থাকিল, "হুজুৰ, চুৰি কৰাৰ আগতে মহাদেৱ জমিদাৰৰ ঘৰৰ ক'ত কি কৰিব লাগিব সকলো বাহিৰে বাহিৰে চাই ঠিকঠাক কৰিছিলোঁ ; কিন্তু ৰাতিৰ পৰতে মাত্র

কমলনাথ শৰ্মা

এটা ভুল কৰিছিলোঁ। চন্দুকৰ সাঁফৰখন খোলোঁতে লো-ৰ কাঠিৰে হেঁচা দিয়াত এক বিৰাট শব্দ উঠিছিল—আৰু বছ—মই হাতে-লুটে সিহঁতৰ মুঠিত পৰিছিলোঁগৈ।"

কতোৱালে ভুৰু কোঁচাই সুধিলে, "তুমি যে বাহিৰলৈ গৈ কণামাকৰি চাফা কৰি থাকিবা বুলি ক'লা—তাৰ অৰ্থ কি? তুমি কিন্তু তোমাৰ চুৰি কৰাৰ অভ্যাসৰ বিষয়ে একো নক'লা।"

"হুজুৰ, সেই কথাকে ক'বলৈ লৈছোঁ। মহাদেৱ ডাঙৰীয়াই মোক পিটিছিল আৰু কৈছিল, 'তোৰ ইমানেই সাহ হ'লনে? মই লো-ৰ কাঠি বা কোদালৰ শব্দও শুনিবলৈ নোপোৱা কলা এটা বুলি মোক ভাবিছিলিনে তই? সেই শব্দত আনকি কুম্ভকৰ্ণও জাগি উঠিলহেঁতেন। এতিয়া তোক মজা দিম —বঃ —।' তেওঁৰ কথাত শুনি মই নিজেই কলা হ'লোঁ বুলি ভাবিছিলোঁ। যি কি নহওক—যোৱা দুবছৰ বগাঘৰত থাকি মোৰ কাণ আগৰ দৰেই ঠিকঠাক হৈ গ'ল। এতিয়া এটা বেজি পৰিলেও শব্দ শুনো মই। এতেকে—মই আগৰদৰেই—যথাৱৎ বংশগত কামবন সুচাৰুৰূপে কৰাত মোৰ আৰু বাধা নাই বুলি মই ভাবোঁ।"

তাৰ কথাত কতোৱালে অতিপাত বেয়া পালে আৰু ক'লে, "তাৰ মানে—তুমি ফাটকৰপৰা ওলায়ো চুৰিকে কৰিবা?"

ভূষণ চুপচাপ থিয় হৈ থাকিল।

তেতিয়া কতোৱালে তেওঁৰ হাতৰ সৰু লাখুটিডাল ভূষণৰ কান্ধৰ ওপৰত থৈ ক'লে, "হাৰে বেওকুফ বেঁকামুৱা, এটা কথালৈ তুমি মনেই কৰা নাছিলা যে—মহাদেৱ জমিদাৰৰ ঘৰত চুৰি কৰাৰ ৰাতিৰ পৰতে তাত—ঘৰৰ দেৱালত সৰু নিচান পুতি থোৱা আছিল। সেই নিচান দেখাহেঁতেন তুমি আৰু সিন্ধি নাখান্দিলাহেঁতেন, আৰু ধৰা পৰি দুবছৰলৈ বগা-ভাতো নাখালাহেঁতেন। সেই নিচান আছিল—আমাৰ নিচান। গতিকে—এতিয়া আকৌ চুৰিত ধৰাৰ আগতে নিজৰ কথা নিজেই ভাবি চোৱা।"

ভূষণ তৎমুহূৰ্ততে কতোৱালাৰ ভৰিত পৰিল আৰু কৈ থাকিল, "হুজুৰ, মই চলিছ বছৰীয়া হ'লোঁ। কলা হৈ ফাটক খালোঁ, আৰু—কণা হৈ দুনাই ফাটকত আটক হোৱাৰ মন নোহোৱা হৈছে। মোক মহাদেৱ জমিদাৰদেউৰ তাত কিবা কামত মকৰল কৰি দিয়ক, তাত কোনো দিনেই নলগা তামোলত আঁটি নাবান্ধো।"

समुद्रतट की सैर – 19

कोरोमंडल तट के साथ और आगे

वर्णन : मीरा नायर ◆ चित्र : गोपकुमार

चेन्नै से उत्तर में आगे बढ़ने पर हम दक्षिण एशिया के सबसे बड़े समुद्रतालों में से एक के तट पर पहुंचते हैं. यह है पुलिकाट, जो कि बंगाल की खाड़ी के जल से बनी खारी झील है. यह तमिलनाडु और आंध्र प्रदेश की सीमा पर पुलिकाट शहर के साथ सटी हुई है. झील में कई टापू हैं, जिन पर सीपियों की भरमार है. इन सीपियों को जला कर चूना बनाया जाता है.

पुलिकाट में एक पक्षी-अभयारण्य है. 1976 में इसकी स्थापना यहां आनेवाले प्रवासी हंसावरों

पुलिकाट झील

और तटीय पक्षियों की रक्षा करने के लिए की गयी.

डच लोगों ने भारत में जो सबसे पहली बस्तियां बसायीं, पुलिकाट उनमें से एक था. झील का काफी बड़ा हिस्सा आंध्र प्रदेश में पड़ता है. आंध्र प्रदेश भारत का पांचवें नंबर का सबसे बड़ा राज्य है. भाषा के आधार पर बनाया जानेवाला पहला

तटीय इलाके के शंकु-आकार की छतोंवाले झोपड़े.

राज्य भी वही है. चक्रवाती तूफान यहां काफी आया करते हैं और समुद्रतट पर ही नहीं काफी भीतर तक भारी तबाही मचाते रहते हैं. पुलिकाट झील के उत्तर में आंध्र प्रदेश के नेल्लूर जिले में *श्रीहरिकोटा* द्वीप है, जहां पर भारतीय अंतरिक्ष शोध संगठन इस्रो का रॉकेट-चालन केंद्र है. भारत का पहला संवेदी रॉकेट *रोहिणी* 9 अक्टूबर 1971 को यहीं से छोड़ा गया था. यहां से अब तक 400 संवेदी रॉकेट और 11 बड़े कृत्रिम उपग्रह छोड़े जा चुके हैं. अधिक बड़े प्रेषण-यानों के लिए यहां एक नयी प्रेषण-वेदी बनायी जा रही है.

श्रीहरिकोटा में रॉकेट का प्रेषण

श्रीहरिकोटा द्वीप को अंतरिक्ष-अड्डा बना देने से यहां के घने जंगलों में रहनेवाले *येनाडी* कबीले के लोग विस्थापित हो गये. येनाडी मुख्यतया शिकार पर जीते हैं. आज भी बहुत-से येनाडी पत्थर के टुकड़ों को परस्पर टकरा कर आग पैदा करते हैं.

आंध्र प्रदेश अभ्रक के मुख्य उत्पादकों में से है और उसकी ज्यादातर अभ्रक नेल्लूर में खोद कर

निकाली जाती है. मगर नेल्लूर की ज्यादा प्रसिद्धि धांन के उत्पादन के कारण है. इससे भी बढ़ कर नेल्लूर से जुड़ा हुआ है तेलुगु के महाकवि *तिक्कन* का नाम. वे 12 वीं सदी ई. के काकतीय राजा गणपति के करद राजा मनुमसिद्धि के दरबार में नेल्लूर में थे. तेलुगु के एक अन्य महाकवि नन्नय ने महाभारत का अनुवाद तेलुगु पद्य में आरंभ किया था, पर वे उसे अधूरा ही छोड़ गये थे. तिक्कन ने उसे पूरा किया और 'कविब्रह्मा' की उपाधि पायी. जिस छोटे-से मंदिर में बैठकर उन्होंने यह महान साहित्यिक काम किया था, वह आज सीमेंट के गोदाम के रूप में काम में आ रहा है !

तटवर्ती आंध्र में दो बड़ी बारहमासी नदियों से बने दो विशाल डेल्टा-क्षेत्र हैं – एक कृष्णा का, दूसरा गोदावरी का. दोनों नदियों का उद्‌गम पड़ोसी राज्य महाराष्ट्र में है.

कृष्णा के डेल्टा में नदी की एक धारा के किनारे *कुचिपुडि* गांव है, जहां प्रसिद्ध कुचिपुडि नृत्यशैली

का जन्म हुआ. 17 वीं सदी ई. के उत्तरार्ध में सिद्धेन्द्र योगी नाम के एक तपस्वी ने 'पारिजात-हरणम्' नामक तेलुगु कविता रची. उसमें इसका वर्णन है कि किस प्रकार श्रीकृष्ण ने अपनी पत्नी सत्यभामा के आग्रह पर स्वर्ग से पारिजात वृक्ष का अपहरण किया और उसे ला कर सत्यभामा के घर के बगीचे में रोपा. फिर सिद्धेन्द्र योगी ने उस कविता पर नृत्य का संयोजन किया और कुचिपुडि गांव के बालकों को वह नृत्य सिखाया.

प्रसिद्ध कुचिपुडि-गुरु वेम्पाटि चिन्न सत्यम् कुचिपुडि की दो मुद्राओं में

नृत्य अत्यंत लोकप्रिय हुआ और जब वह गोलकोंडा के अंतिम सुल्तान तथा कला के महान संरक्षक अब्दुल हसन ताना साहब के दरबार में प्रस्तुत किया गया तो सुल्तान इतना प्रसन्न हुआ कि उसने कुचिपुडि गांव सिद्धेन्द्र और उनके नृत्यदल को दान में दे दिया, किंतु इस शर्त के साथ कि यह गांव इस नवनिर्मित नृत्यशैली का केंद्र बना रहे. सिद्धेन्द्र योगी ने अपने शिष्यों से यह वचन ले लिया कि वे और उनके वंशज कुचिपुडि गांव में ही रहेंगे और उन घरानों का प्रत्येक पुरुष जीवन में कम से कम एक बार सत्यभामा की भूमिका अदा करेगा. आज भी गांव के प्रत्येक बालक को नृत्यदीक्षा दी जाती है, जिसके आरंभ में उसकी कमर में घंटी बांधी जाती है. यह नृत्य-प्रकार *कुचिपुडि* कहलाया.

राजा और राधा रेड्डी

जैसा कि हुआ करता है, समय के साथ-साथ कुचिपुडि में भी परिवर्तन हुए हैं और अब स्त्रियां भी इसे प्रस्तुत करती हैं.

जहां कृष्णा नदी बंगाल की खाड़ी में गिरती है वहां पर *मछलीपट्टणम्* अथवा *मसुलीपट्टम्* का बंदरगाह है, जो दीर्घ काल से प्रसिद्ध रहा है. इसका जिक्र 'द पेरिप्लस ऑफ़ द एरिथ्रियन सी' जैसी अतिप्राचीन

पुस्तक में भी है. सन 1680 ई. में यह डच लोगों का अड्डा था. 1750 ई. में इसे फ्रांसीसियों ने हथिया लिया और नौ साल बाद अंग्रेजों ने उनसे छीन लिया. इस तरह मछलीपट्टणम् आंध्र में अंग्रेजों के तावे में आनेवाले सबसे पहले शहरों में से था. 1 नवंबर 1864 को यहां भयंकर तूफान आया और बड़ी तबाही मची. तब से मछलीपट्टणम् का सामरिक महत्व घट गया. अब वह एक छोटा बंदरगाह मात्र है और कृष्णा जिले का मुख्यालय भी है.

पिंगलि वेंकय्या रचित तिरंगा कांग्रेसी झंडा

स्वतंत्रता-संग्राम में मछलीपट्टणम् की शानदार भूमिका रही. स्वतंत्रता-सेनानी *गडिचर्ला हरिसर्वोत्तमराव* ने देशभक्त तरुणों को आधुनिक उद्योगतंत्र की शिक्षा देने तथा स्वदेशी आंदोलन को आगे बढ़ाने के लिए यहां *आंध्र जातीय कलाशाला* स्थापित की. कांग्रेस के तिरंगे झंडे की रचना करनेवाले *पिंगलि वेंकय्या* यहीं के निवासी थे. उनका बनाया तिरंगा झंडा आगे चल कर स्वतंत्र भारत के राष्ट्रध्वज का आधार बना. वरिष्ठ कांग्रेसी नेता डा. पट्टाभि सीतारामय्या भी मछलीपट्टणम् के ही थे.

कपड़े पर की जानेवाली प्रसिद्ध *कलमकारी* चित्रकला का भी मछलीपट्टणम् केंद्र है. इस कला की परंपरा सातवीं सदी ई.पू. जितनी पुरानी बतायी जाती है. आकर्षक पौराणिक दृश्य इसमें कलम की मदद से कपड़े पर अंकित किये जाते थे. इसीलिए इसका नाम कलमकारी पड़ा. किंतु अब लकड़ी के ठप्पों की मदद से ये चित्र छापे जाते हैं.

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997



জীৱনৰ পৰম ধৰম

মনোহৰ দেখন-দৰ্পণে মনোহৰ, কিন্তু কামৰ বেলিকাহে ধোদৰ। শুই থকাত তাৰ জোৰা-জোখা নাই, কাম কৰিবলৈহে হামামাটি খায়, হামিয়াই-হেঁকটিয়াই সময় কটায়। মাক নাই বাপেক নাই, তাক সৰুৰেপৰাই ডাঙৰ-দীঘল কৰি তুলিছিল তাৰ আইতাই। সি খাৱন-লওনত দন-কটা, পঢ়নতহে নাম-কটা। তাৰ আইতাকে ভাবিছিল : সি মাউৰা বুলিহে ঘাউৰা হ'ল, নহ'লে হ'লহেঁতেন আতোল-তোল। এতিয়াও মূৰৰ বীজ নগুচাটো আৰু অল'মান বাঢ়ক, নাথাকিব এনেকুৱা নালায়ক। কিন্তু সি মনোহৰ যেতিয়া ওঠৰ বছৰীয়া বগী মনোহৰটোহেন হ'ল, তেতিয়া যদিও তাৰ আইতাকৰ মতে কিঞ্চিত ডাঙৰ হ'ল, তথাপি কামৰ নহ'ল, ধোদামিয়ে তাক একেবাৰে নেৰা হ'ল, এলেহুৱামী—যাক বোলে তাৰ নলগল বন্ধু হৈ থাকিল—একেবাৰে তাৰ লগেই নেৰা হ'ল।

কিন্তু আইতাক যেতিয়া ক্ৰমাত বুঢ়ী হ'ল, যেতিয়া চকুৰে প্ৰায় মনিব নোৱৰা হ'ল, আগৰ দৰে ই-সি কৰি কৰি পইচা-পতি গোটাব নোৱৰা হ'ল—তেতিয়াহে বগী-মনোহৰে কথমপি শোৱাৰপৰা উঠি বহিল। উঠি বহিল, কিন্তু আকাশ-পাতাল ভাবিও একো-এটা উপায় বিচাৰি নোপোৱা হ'ল। সি ভাবিলে : কেনেকৈকেনো মই দহ-টকীয়া হ'ম ? আইতাই চিঞৰি থাকিলেই হ'বনে ? গাঁৱৰ ৰাইজে গালি পাৰিলেই হ'বনে ? সেই যে কথাতে বোলে—অ-তামূলী তামূলী হ'ল, মুখেদি বোৱালে ৰাং—অঘৈণী ঘৈণী হ'ল দুপৰীয়া বগালে চাং। কিন্তু কথা;— কথাহে। ইমানবোৰ নোহোৱাক আচলতে হোৱাব নোৱাৰি। সেই যে কয়—অকলশৰীয়া পহু, টিকাই-কূচে খহু, মোৰো অৱস্থা তেনেকুৱাই হ'ল। আপোন বুলিবলৈ নাই, বন্ধু-বান্ধৱো কৰা নাই, আৰু

প্ৰীতি তালুকদাৰ



বিয়া-বাৰু—থাওকেই—সেইবোৰ নভবা কথা ভাবি ভাবি লোচকানহে আছে, লাভ নাই। পিছে যাৰ কেও নাই তাৰ বোলে ভগৱান থাকে, মোৰ দেখোন ভগৱানো নাই। কি কৰিম কি খাম ক'ত থাকিম ক'লৈ যাম একো ঠিক নাই ঠিকনা নাই। কাম-ধান্দা—মই চান্দা-ভাহাই নেজানোও-নেপাৰোঁ। তেনেহ'লেনো থাকিল কি? একমাত্ৰ থাকিল—সকলো কামৰ বৰ কাম—চুৰি যাৰ নাম। কিন্তু চুৰিও জানিব লাগে শিকিব লাগে। গৰু এটাই চুৰি কৰিব নোৱাৰে, গুৰু ধৰি শিকিব লাগে। হে দেৱী শান্তৱী! হঠাৎ তাৰ মনত পৰিল গাঁৱৰ গোসাঁনী-মন্দিৰৰ দেৱী শান্তৱীৰ কথা।

আৰু—লগে লগেই সি গোসাঁনী শান্তৱীৰ মন্দিৰলৈ বুলি খোজ ল'লে।

মনোহৰে বৰ ভক্তিভাৱেৰে শান্তৱী দেৱীলৈ প্ৰণাম কৰিলে আৰু মনে মনে ক'লে, "হে আই দেৱী শান্তৱী, আন কোনো উপায় নাপাই তোমাৰ নাকত থকা সোণৰ নাকফুলটোকে লৈ যাওঁ। বেচি যি পাম—তাৰ আধাখিনি তোমাৰ নামলৈ উছৰ্গা কৰিম, আধাখিনি ময়ে-আইতায়ে খাম। জগৰ নধৰিবা আই, আন ক'তনো কি পাই?

গোসাঁনী শান্তৱীৰ নাকত থকা সোণৰ নাকফুলটো সোলোকাই লৈ মনোহৰ মন্দিৰৰপৰা ওলাই গ'ল।

পাছদিনাই গাঁৱৰ ৰাইজে গম পাই গ'ল এই চুৰিৰ কথা। কোননো ইমান মাৰ্ঘাত মৰা চোৰ? ক'ৰনো? গাঁৱৰেনে আন ঠাইৰ? গাঁৱলীয়াই দেৱী শান্তৱীৰ নাকৰ নাকফুল বিচাৰি, আৰু চোৰকো বিচাৰি তোলপাৰ লগালে, কিন্তু চোৰো ধৰা নপৰিল, নাকফুলো নোলাল।

এসপ্তাহমানৰ অন্তত যেতিয়া এনেহেন ভয়ংকৰ চুৰিৰ কথা জামৰি আহিল, যেতিয়া তাক কোনেও সন্দেহ কৰা নাই বুলি মনোহৰ নিঃচিন্ত হ'ল, তেতিয়া এদিন সি এখোজ দুখোজকৈ গাঁৱৰ সিমূৰত থকা শম্ভুসোণাৰিৰ দোকনলৈ গ'ল। শম্ভুৰ সৈতে ইকথা-সিকথাৰ মাজত মনোহৰে এছেগত সুধিলে, "শম্ভুখুড়া, কথা এটা সোধোঁ, বেয়া নীপাবা। তুমি কেতিয়াবা—চুৰিৰ মাল কিনি পাইছানে খুড়া?"

মনোহৰৰ কথা শুনি তভক খাই বৈ থকা শম্ভুৱে হঠাৎ হাতত থকা হাতুৰিটো দোকানৰ

এচুকলৈ জোৰেৰে দলিয়াই পেলাই কৈ উঠিল, "এনেবোৰ নীহ কাম—সৌ পখালফুৰা গাঁৱৰ সন্ধিয়েহে কৰে। তই—ভুলতো এনেবোৰ কথা মোক দুনাই নুসুধিবি, মেৰামতি হৈ যাবি, পিঠি কাক বোলে জানিবি।"

"এহ্ ! এনেয়ে সুধিছোঁ বুলি তোমাক ক'লোঁৱেই নহয় —? ধেমালিহে কৰিলোঁ। —ধৰা, আমাৰ দেৱী শান্তৱীৰ সোণৰ নাকফুলটো কোনোবা চোৰে বেচিবলৈ তোমাৰ দোকানলৈকে আহিল, তেতিয়া কি কৰিবা ?" মলুৱা মনোহৰে মালিহা মাৰিলে।

"কি কৰিম মানে—পহিলতে তাৰ পিঠিত বাবৰিফুল বাছিম, তা'পাছত তাক ৰজাৰ পৰীয়াৰ হাতত গটাই দিম, আৰু তা'ছত—তাক তাৰ বাপেকৰ নাম পাহৰাই দিম।" শম্ভুৱে ক'লে, "যদি এনেবেৰা লেতেৰা কথা আকৌ সুধিছ তোকো এতিয়াই মেৰামতি কৰিহে এৰিম।" শম্ভুৱে মনোহৰক সঁকিয়ালে।

"এঃ ! তুমিও যে খুড়া ! এয়া যে বিশুদ্ধ ধেমালি—ক'লোঁৱেই নহয় ? তোমাৰ ইমানদাৰীৰ কথা দহোখন গাঁৱৰ কোনেনো নেজানে—?" এই বুলি কৈ, তাত আৰু নবৈ, মনোহৰে খৰে-ধৰে খোজ ল'লে।

আৰু—পাছদিনা সি দেৱী শান্তৱীৰ নাকফুলটো জেপত লৈ কপাল ফুলাৰ আশাৰে পখালফুৰা গাঁৱৰ সন্ধি সোণাৰিৰ ওচৰলৈ শুভযাত্ৰা কৰিলে।

বাটত ৰজাৰ পৰীয়া এটাই মনোহৰক হাত দাঙি ৰখালে আৰু লগে লগে মনোহৰৰ বুকুৰ ভিতৰত টিপলিং-ঢাপলাং কৰিবলৈ ধৰিলে।



তাৰ চুৰিৰ কথা যে এইবোৰ ৰজাৰ পৰীয়াহঁতে কেনেবাকৈ জানিলে—সেই কথাত মনোহৰৰ মনত ধানমানো সন্দেহ নাথাকিল।

কিন্তু ৰজাৰ পৰীয়াটোৱে যেতিয়া এডাল বিড়ি জ্বলাবলৈ মনোহৰৰপৰা জুইশলা খুজিলে, তেতিয়াহে মানোহৰে তাৰ জীৱ ঘূৰাই পোৱা হ'ল। মনোহৰে পৰীয়াক ক'লে, "মই বিড়ি চুৰুট নোহোপোঁ, মোৰ ওচ'ত জুইশলা নাই।"

পৰীয়টোয়ো আৰু মাত নামাতি খোজ ল'লে। পখালফুৰা গাঁও পাই সন্ধি সোণাৰিৰ দোকানখন ক'ত বুলি কাৰোবাক সুধিবলৈ ভাবি থকাতে মনোহৰে দুজন মানুহক ৰজাৰ প্ৰহৰীয়ে হাত কেৰেয়াৰে বান্ধি লৈ যোৱা দেখা পালে।

বাটকুৱা এজনক মনোহৰে সুধিলে যে এই মানুহ দুজন কোন আৰু কি দোষ কৰিলে।

বাটৰুৱাজনে ক'লে, "সেই যে দীঘল মোচ থকাটো—সেইটো হ'ল সন্ধি সোণাৰি, আৰু, লগৰটো হ'ল চোৰ। চুৰিৰ মাল কিনাৰ অপৰাধত বজাৰ পৰীয়াহঁতে সন্ধিক বান্ধিলে, আৰু চুৰিৰ মাল বেচাৰ অপৰাধত তাক।"

মনোহৰৰ গাত যেনিবা জ্বৰহে উঠিল। চোলাৰ জেপত থকা দেৱীৰ নাকফুলটো তেতিয়া এচটা গধুৰ শিল যেন লগা হ'ল তাৰ। চুৰি যে কি ভয়ানক কাম—এতিয়াহে বুজা হ'ল।

সি তৎক্ষণাৎ উভতি খোজ ল'লে, আৰু মন্দিৰলৈ গৈ দেৱীৰ চৰণত দীঘল দি পৰিলে আৰু ক'লে, "আই গোসাঁনী, মই আগলৈ কদাপি আৰু এনে কাম নকৰোঁ।" দেৱীৰ নাকফুলটো পুনৰ সি দেৱীক পিন্ধাই দিলে।

এতিয়াহে মনোহৰৰ মন কিঞ্চিত শান্ত হ'ল। কিন্তু তথাপি সি ভাবিলে যে—দেৱীয়ে তাক তাৰ পাপৰ দণ্ড নিশ্চয় নিদিয়াকৈ নেৰিব। আৰু—নাকফুল বেচি আধাখিনি ধন দেৱীলৈ উছৰ্গা কৰিব বুলি যে মানস কৰিছিল—তাৰ কি হ'ব ? সি নাকফুল নেবেচিলে, ঠিক কথা ; কিন্তু মানস মানসেই। —এতিয়া কি হ'ব ?

ভাবি ভাবি—শেহলৈ মনোহৰে এই সিদ্ধান্ত ল'লে যে—একমাত্ৰ শ্ৰম কৰিহে মুখ ভৰাব আৰু সকলোবিধৰ মানসো পূৰাব।

ভবা মতে গাঁৱৰে খেতিয়ক হৰনাথৰ ওচৰলৈ গ'ল আৰু কাম-বন খোজা হ'ল।

হৰনাথে মনোহৰৰ ধোদামিৰ কথা নজনাকৈ নাছিল। গতিকে—পোনতে মনোহৰৰ কথাত কোনো গুৰুত্ব দিয়া নাছিল। কিন্তু কাম কৰাৰ বাবে মনোহৰে যেতিয়া হৰনাথৰ ভৰিত ধৰিলে, তেতিয়া হৰনাথ কুমলিল। হৰনাথে মনোহৰক খেতি-বাতিৰ কাম সুচাৰুৰূপে শিকাইছিল।

প্ৰায় তিনি মাহলৈ একেৰাহে একমনে কাম কৰাৰ অন্তত এদিন হৰনাথে মনোহৰক ক'লে, "তোমাৰ যে ইমান পৰিৱৰ্তন কেনেকৈ হ'ল—মই তাৰ উমান পোৱা নাই। পিছে—শ্ৰমেই যে জীৱনৰ পৰম ধৰম—সেই কথা শেহান্তৰত বুজি পাইছা যে—তাতেই মই তোমাৰ শলাগ লৈছোঁ, আৰু আজিৰেপৰাই তোমাৰ দৰমহা দুগুণ কৰি দিছোঁ। এই বুলি কৈ হৰনাথে আৰু লগতে মনোহৰেও তাৰ জীৱনৰ সুঁতি পৰিৱৰ্তনৰ বাবে দেৱী শান্তৱীলৈ ভক্তিযুক্ত প্ৰণাম জনালে।

সোণালী দুৱাৰ

১...ছয়শওতকৈয়ো অধিক দেৱালচিত্ৰ থাকা ১৭০০০ বছৰীয়া পুৰণি গুহাসমূহ ক'ত ?
এইবোৰ গুহাত থকা 'হল্ অৱ বুল্‌ছ' অৰ্থাৎ বৃষভ মণ্ডপ নামৰ সামূহিক অনুষ্ঠানৰ ঘৰসমূহ মন কৰিবলগীয়া

১৩ পৃথিৱীখনৰ ক'ত আছে...

২.... এই নও-মহলা স্তম্ভ ৰাজপুত-শাসক ৰাণা কুম্ভই ১৪৪০ খৃষ্টাব্দত সাজিছিল। এই অপূৰ্ব স্তম্ভ 'বিজয়স্তম্ভ' ৰূপে জনাজাত। ই ৩৬ মিটাৰ ওখ।

৩. ...আফ্ৰিকাত বৰফেৰে আবৃত পৰ্বতৰ টিং?
যদিও এই পৰ্বত গ্ৰীষ্ম-বলয়ত অৱস্থিত, তথাপি বৰফাবৃত।

৪. ...জিৰাফ-ডিঙীয়া নাৰী ?
পদায়ুং নামৰ উপজাতীয় নাৰী সকলে তেওঁলাকৰ ডিঙিত তামৰ বেৰী মেৰিয়ায়। প্ৰথমে তিনি বছৰীয়াতে পাছত বছৰি একোটাকৈ বেৰী পিন্ধে আৰু বেৰীৰ গধুৰ ওজনৰ ফলত ডিঙি দীঘল হয়।

৫. ...৮৬০ কিল'মিটাৰ থাক থকা আৰু ২ কোটি কিতাপ থকা পুথি ভঁৰাল ?
তিনিটা অট্টালিকাত বিয়পা এই পুথি ভঁৰালত ৪০ লাখ মানচিত্ৰ, ৯০ লাখ ফটোগ্ৰাফ, আৰু ১৩ লাখ সংগীতাদিৰ বস্তু-সামগ্ৰী আছে।



চিত্ৰৰ ফাঁহত

এই আৰণ্যকে অৰ্থাৎ এই অৰণ্য-মানৱে ই-গছৰপৰা সি-গছলৈ জাঁপ মাৰি মাৰি গৈ গৈ অৰণ্যৰাজ বাঘকো ডৰাইছে। কিন্তু এই চিত্ৰত সামান্যমান ভুল আছে। সেই ভুললৈ আঙুলিয়াব পাৰিবানে?

চিত্ৰ সাঁথৰ

ইয়াত নওখন দেশৰ মানচিত্ৰৰ অনুকৃতি আছে, কিন্তু সেই দেশসমূহৰ নামকৰণত ভুল আছে। প্ৰতিখন দেশৰ মানচিত্ৰত সঠিক নাম দিব লাগে।

টপৰ টপৰ কৰে মূৰৰ ঘাম পৰে

১. মোৰ ওচৰত দুটা মুদ্ৰাত সৰ্বমুঠ ৫৫ পইচা আছে। ৫০ পইচীয়া কোনো মুদ্ৰা নাই। তেনেহ'লে মুদ্ৰা দুটা কি?

২. ভাটো-বেচোঁতাই ক'লে, "এই ভাটোৱে যেই কোনো মাত শিকালেই মাতিব পাৰিব।" তাৰ কথাত পতিয়ন গৈ কিনোতাই কিনিলে কিন্তু হেজাৰ চেষ্টাৰেও ভাটোটোৱে এষাৰ মাতো নামাতিলে। সেই কিন্তু বেচোঁতাই মিছা কথা কোৱা নাছিল। তথাপি কিয় অথন্তৰ হ'ল?

৩. বানে-দম্পতিৰ তিনিজনী ছোৱালী, আৰু প্ৰতিজনীৰ একোজনকৈ ভায়েক আছে। পৰিয়ালখনত কিমান মানুহ?

৪. গ্ৰিনল্যাণ্ড আৱিষ্কৃত হোৱাৰ আগতে পৃথিৱীৰ বৃহত্তম দ্বীপ কোনটো আছিল?

৫. এজন বন্ধুক দুই বাৰলৈ বোলছবি চাবলৈ লৈ যোৱাত খৰচ কম হ'বনে দুজন বন্ধুক এবাৰ ছিনেমা চাবলৈ লৈ যোৱাত খৰচ কম পৰিব?



৬. এখন পাচিত পাঁচটা আপেল আছে। তাত থকা ৫ জনীৰ মাজত এটাকৈ আপেল ভগাই দিয়াৰ অন্ততো পাচিত এটা আপেল থাকিব লাগিব। কেনেকৈনো?

৭. সঁচা কথা কোৱা আৰু মিছাকথা কোৱাহঁতৰ মেল চলি থাকোঁতে কোনোবা এজনে ক'লে যে এজনী ছোৱালীয়ে নিজক মিছাৰ ভঁৰাল বুলি কোৱা তেওঁ শুনিলে। এই শুনোতা মানুহজন সঁচা কথা কোৱা নে মিছলীয়া?

৮. সৈন্যবাহিনীত কোনে আটাইতকৈ ডাঙৰ বুট জোতা পায়?

কৰি চাওক

লাগতিয়াল বস্তু:

খালী হৈ থকা বটল, কণীৰ খোলা, এঠা, ৰং।

পদ্ধতি:

ক) কণীৰ খোলা চাবোনৰ পানীৰে অতি ভালকৈ চাফা কৰিব লাগিব।

খ) খোলাটো টুকুৰা-টুকুৰ কৰি ল'ব লাগিব।

গ) আৰু বটলৰ গাত এঠাৰে সেই টুকুৰা-টুকুৰ খোলাবোৰ লগাব লাগিব।

ঘ) এতিয়া — খোলাৰ টুকুৰাবোৰ উজ্জ্বল ৰঙেৰে সজালেই ধুনীয়াৰো ধুনীয়া ফুলদানী এটি পোৱা যাব।

ফুলদানী

এন্দুৰ ধৰাৰ আশাৰে
বৈ থকা
মেকুৰী





অতিপাত
ভুকীয়া
চৰাই-পোৱালি

সোণালী দুৱাৰ-১২-ৰ উত্তৰ

পৃথিৱীৰ ক'ত আছে

১. গ্যালাপাগো দ্বীপসমূহ, দক্ষিণ আমেৰিকাৰ ইকুৱেডাৰত।
২. ভ্যাটিকান নগৰ।
৩. টিটিকাকা হ্রদ পেৰু আৰু বলিভিয়াৰ সীমান্তত অৱস্থিত।
৪. অস্ট্রেলিয়াৰ ছিডনি পোতাশ্ৰয় পাৰ হৈ।
৫. ৰাজস্থানৰ দেষনক।

গল্পৰ ফাঁহ

তেওঁ চোলা-প্যান্ট এৰিহে পানীলৈ জঁপিয়াই পৰিছিল, গতিকে—জেপত বিস্কিট ভৰাই ল'ব কেনেকৈ ?

মূৰ-ঘমোৱা

১. যেতিয়া এজন আৰোহী থাকে।
২. তুলাচনি যেতিয়া অকামিলা হৈ থাকে।
৩. পাতখন ওলোটাকৈ ধৰা !
৪. সাপৰ চকুৰ পতা নাই, গতিকে সাপে চকু মুদিব নোৱাৰে।
৫. যেতিয়া তাত দুজন আছিল।
৬. এটা দেৱাল-ঘড়ি !
৭. এটা বটল !
৮. গল্পটোযে সচাঁ নহয় সেই কথা স্পষ্ট। সেই সৈন্যজনৰ মাত্ৰ এখনেই হাত আছিল। গতিকে—আনখন হাতেৰে সিখন হাত কটাৰ প্ৰশ্নয়েই নুঠে।

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

৩৬

পাণ্ডৱসকলে সৈৰন্ধ্ৰীক পৰাজিত কৰি তেওঁক তেওঁক ৰাজ্যলৈ ওভোতাই পাঠালে আৰু পুনৰ কাম্যকবনলৈ গৈ মাৰ্কণ্ডেয় মুনিৰ কাষ চাপিল। ধৰ্মৰাজে মাৰ্কণ্ডেয়ক সুধিলে, "হে মহাত্মা, আমাৰ দ্ৰৌপদীৰ দৰে আন কোনোবজনী পতিব্ৰতা পত্নীয়ে কদাপি ইমান দুখ-কষ্ট সহিছিলনে ?"

তেতিয়া মাৰ্কণ্ডেয় মুনিয়ে পাণ্ডৱসকলৰ আগত সাৱিত্ৰী-সত্যৱান-কথা ক'বলৈ ধৰিলে :

অশ্বপতি আছিল মদ্ৰদেশৰ ৰজা। তেওঁ অতি ধৰ্মাত্মা ৰজা আছিল। কিন্তু তেওঁ আছিল নিঃসন্তান। তেওঁ কঠোৰ নিয়ম পালন কৰি সাৱিত্ৰীদেৱীৰ উপাসনা কৰিছিল, হোম কৰিছিল।

তাৰ পাছত এদিন হোমাগ্নিৰ মাজত সাবিত্ৰীদেৱীয়ে অশ্বপতিক দেখা দিলে আৰু সুধিলে যে তেওঁক কি লাগে। অশ্বপতিয়ে হাত যোৰ কৰি নিৱেদিলে, "হে দেৱী, মোক বংশোদ্ধাৰক পুত্ৰ-সন্তান লাগে।"

"ৰাজন্, তুমি মোৰপৰা কি খুজিবা— আগতেই মই জানিলোঁ আৰু এই বিষয়ে মই সৃষ্টিকৰ্তা ব্ৰহ্মাক সুধিছিলোঁগৈ। তেওঁ তোমাক পুত্ৰী-সন্তান দিবলৈ স্বীকৃতি দিলে। এতেকে— এই বৰ স্বীকাৰ কৰি জীৱন ধন্য কৰাঁ।" এই বুলি কৈ দেৱী সাৱিত্ৰী অন্তৰ্হিতা হ'ল।

প্ৰায় এক বৎসৰকালৰ অন্তত অশ্বপতি এটি অতি ৰূপৱতী কন্যাসন্তানৰ পিতৃ হৈছিল। সেই কন্যা-সন্তানটিৰ নাম—সাৱিত্ৰী।

সাৱিত্ৰী অতি আদৰ-যত্নৰ মাজেদি ডাঙৰ-দীঘল হৈছিল। দিনে দিনে সাৱিত্ৰী ৰূপত ৰাং চৰা যেন হৈ উঠিল। সাবিত্ৰী মানৱী নহয়— দেখাত দেৱী যেনহে লাগিছিল। যেনিবা— কোনো এগৰাকী দেৱীয়েহে মানৱী-ৰূপত

আৱিৰ্ভূতা হৈছিলহি তাত।

সাৱিত্ৰী যেতিয়া বিবাহযোগ্যা হৈ উঠিল, তেতিয়া এদিন পিতৃ অশ্বপতিয়ে পুত্ৰী সাৱিত্ৰীক ক'লে, "পুত্ৰী, তুমি বিবাহযোগ্যা হ'লা। কিন্তু—কিন্তু কোনো এজন ৰাজকোঁৱৰো যে কিয় তোমাৰ কাৰণে মোৰ কাষ চপা নাই, মই ভাবি নোপোৱা হৈছোঁ। যি কি নহওক—তোমাৰ যোগ্য পতি তুমি নিজেই বিচাৰি উলিয়ালেহে ভাল। তুমি যিজনক পতিৰূপে নিৰ্বাচন কৰিবা—মই সেইজনক সৰ্বপ্ৰকাৰে মনে-চিতে জামাতৃৰূপে গ্ৰহণ কৰিম।"

পিতৃৰ কথা মতে সাৱিত্ৰী পতি-নিৰ্বাচনৰ বাবে ওলোৱা হ'ল। এদিন সাবিত্ৰী যেতিয়া ওলাই গ'ল, তেতিয়া মহামুনি নাৰদ অশ্বপতিৰ ওচৰলৈ আহিল, আৰু অলপ পাছত সাৱিত্ৰীও তালৈ উভতি আহিল। সাৱিত্ৰীয়ে পিতৃক আৰু নাৰদমুনিক প্ৰণাম কৰিলে।

নাৰদমুনিয়ে অশ্বপতিক সুধিলে, "ৰাজন্, তোমাৰ পুত্ৰী ক'লৈ গৈছিল ? ক'ৰপৰা উভতিল ? তোমাৰ পুত্ৰী দেখোন বিবাহযোগ্যা হ'ল। বিবাহৰ বাবে বন্দৱস্ত কৰা নাইনে ?"

"মুনিবৰ, সাৱিত্ৰীক মই—নিজৰ পতি নিৰ্বাচন কৰিবলৈ কৈছোঁ, আৰু সেই কাৰণেই তাই প্ৰায় প্ৰতিদিনেই ওলাইছো।" তাৰ পাছত অশ্বপতিয়ে সাৱিত্ৰীক সুধিলে, "পুত্ৰী, যি কাৰ্য্যলৈ ওলাইছিলা—সফল হ'লনে ?

সাৱিত্ৰীয়ে পিতৃক ক'লে, "দ্যুমৎসেন দীৰ্ঘকাললৈকে সাল্বদেশৰ মহাৰাজ আছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেঁও দৃষ্টিহীন হৈ পৰিল আৰু তাৰ ফলত—দ্যুমৎসেনে পূৰ্বতে পৰাজিত কৰা এজন ৰজাই দৃষ্টিহীনতাৰ সুযোগত তেওঁৰ ৰাজ্য আক্ৰমণ কৰি অধিকাৰ কৰিলে। এতিয়া বৃদ্ধ দৃষ্টিহীন ৰজাই এক অৰণ্যত আশ্ৰম পাতি তাতেই জপ-তপ কৰি কষ্টকৰ জীৱন-নিৰ্বাহ কৰি আছে। দ্যুমৎসেনৰ পুত্ৰ হ'ল সত্যৱান। সত্যৱানে মুনিকুমাৰসকলৰ দৰেই আশ্ৰমতে ডাঙৰ-দীঘল, হৈছে, আৰু তেওঁ সত্যৰ আৰ্হি হৈ উঠিছে। তেওঁৰ মাজত কুট বা ক্ৰূৰ বুদ্ধি বোলা একোৱেই নাই। সদা সত্য-কথন সত্য জীৱন-যাপনেই তেওঁৰ আদৰ্শ। মই এইজনকে মোৰ পতিৰূপে অন্তৰত গ্ৰহণ কৰিছোঁ।"

সাৱিত্ৰীৰ কথা শুনি নাৰদমুনিয়ে দীঘলীয়া হুমুনিয়াহ কাঢ়িলে আৰু ক'লে, "এই ঘটনা—পৰিপূৰ্ণ অমংগলীয়া ঘটনা হ'ল। সাৱিত্ৰীয়ে নাজানি নিজৰ বিপদ নিজেই চপাই ল'লে।"

অশ্বপতিয়ে নাৰদমুনিক আশ্চৰ্য্যৰে সুধিলে, "হে মুনীশ্বৰ, আপুনি নজনা—ত্ৰি-জগতত কোনো কথা নাই। এই সত্যৱানৰ প্ৰকৃত চৰিত্ৰ কি ? গুণ, ৰূপ আৰু স্বভাৱত সত্যৱান কেনেকুৱা—ক'বনে ?"

নাৰদে ক'লে, "ৰাজন্, দ্যুমৎসেনৰ দৰেই তেওঁৰ পুত্ৰ সত্যৱানো সত্যব্ৰতী। সত্যৱানে অশ্বৰ চিত্ৰ বৰ ভালকৈ অংকন কৰিব পাৰে। সেইহে সত্যৱানক চিত্ৰাশ্বী বুলিও কোৱা হয়। দেখাত সত্যৱান দেৱতাহেন। সত্যৱান সমস্ত সদ্‌গুণসম্পন্ন যুৱা। কিন্তু তাৰ আয়ুস টুটি আহিছে, আৰু মাত্ৰ এক বৎসৰ কালহে সত্যৱান জীয়াই থাকিব, আৰু এক বৎসৰকালহে সত্যৱান জীয়াই থাকিব, আৰু এক বৎসৰান্তত যমৰাজৰ অতিথি হ'ব।"

নাৰদৰ বাৰ্তা শুনি দুশ্চিন্তিত হৈ অশ্বপতিয়ে সাবিত্ৰীক ক'লে, "পুত্ৰী, এই অল্পায়ু যুৱাক পাহৰি অন্য কাৰোবাক নিৰ্বাচন কৰাঁ।"

"মই এবাৰ যেতিয়া মানস কৰিছোঁ, অন্তৰত বৰিছোঁ, তেতিয়া অল্পায়ু বা দীৰ্ঘায়ু—সজ্জন বা দুৰ্জন—শিষ্ট অথবা দুষ্ট যিয়েই নহওক—এৱেঁই হ'ব মোৰ শাশ্বত পতি। অন্য কাৰোবাক নিৰ্বাচনৰ প্ৰশ্ন নাই। মই সত্যৱানৰ বাহিৰে কদাপি অন্য কাকো বিবাহ কৰিব নোৱাৰিম।" সাবিত্ৰীয়ে গহীন মাতেৰে ক'লে।

নাৰদমুনিয়েও অশ্বপতিক ক'লে, "ৰাজন্, তোমাৰ পুত্ৰীৰ নিৰ্ণয় সুদৃঢ়। অটল। ইমান অটল মনৰ পৰিৱৰ্তন ন-সম্ভৱে। সাবিত্ৰীৰ বিবাহ সত্যৱানৰ সৈতেই হওক। এহি সুকৃতিৰে সত্যৱান কিজানি দীৰ্ঘায়ুসো হ'ব পাৰে। শুভমস্তু !" এই বুলি কৈ, নাৰদমুনি স্বৰ্গলৈ গ'লৰ।



পুত্ৰীৰ দৃঢ়তাত আৰু নাৰদমুনিয়েও কোৱাত—সাবিত্ৰীৰ বিবাহ সত্যৱানৰ সৈতেই স্থিৰ কৰি অশ্বপতি সপৰিয়াল দ্যুমৎসেনৰ অৰণ্যাশ্ৰমলৈ গ'ল।

তেতিয়া বৃদ্ধ দৃষ্টিহীন দ্যুমৎসেন এজোপা বড়ৰ ছাঁত বহি আছিল। অশ্বপতিয়ে বৃদ্ধৰ কাষ চাপিগৈ ক'লে, "আপোনাৰ পুত্ৰ সত্যৱানৰ সৈতে, আমাৰ পুত্ৰী সাবিত্ৰীৰ বিবাহৰ প্ৰস্তাৱ উত্থাপিবলৈহে মই আপোনাৰ কাষ চাপিছোঁ। আপুনি আমাৰ পুত্ৰী সাবিত্ৰীক বহাৰীৰূপে স্বীকাৰ কৰক।"

"ৰাজন্, এতিয়া আমাৰ আৰু ৰাজ্য নাই, ৰাজত্ব নাই, আমি এতিয়া অৰণ্যচাৰী মাত্ৰ।

আপোনাৰ পুত্ৰী নিশ্চয় সযত্ন-লালিতা সুকুমাৰী, এনেহেন কষ্ট সহিব পাৰিবনে ?" দ্যুমৎসেনে সন্দেহ প্ৰকাশ কৰিলে।

"সুখ-দুঃখ মানৱাধীন নহয় যে আমাৰ পুত্ৰীয়ে এই সত্য জানে। এইবোৰ কথা ভবা-গুণাৰ অন্ততহে আমি আপোনাৰ সমীপলৈ আহিছোঁ। আমাৰ পুত্ৰী আৰু আপোনাৰ পুত্ৰৰ যোৰ পাভযোৰেই হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। অনুগ্ৰহ কৰি এই সন্মতি দিয়ক।" অশ্বপতিয়ে নম্ৰতাৰে দ্যুমৎসেনক ক'লে।

অশ্বপতিৰ কথাত দ্যুমৎসেন তুষ্ট হ'ল। তেওঁ সেই অঞ্চলত থকা সকলো মুনিলৈ আহ্বান জনালে আৰু তাৰ পাছত এক শুভদিন শুভক্ষণত মুনিসকলৰ উপস্থিতিত সাবিত্ৰী-সত্যৱানৰ বিবাহ সম্পন্ন কৰিলে। আৰু তাৰ পাছত—বিবাহ সুকলমে হৈ যোৱাৰ অন্তত অশ্বপতিয়ে পুনৰ ৰাজধানীলৈ বুলি যাত্ৰা কৰিলে।

পিতাদেউ প্ৰস্থান কৰাৰ অন্তত সাবিত্ৰীয়ে তেওঁৰ পিন্ধনত থকা পাট-বস্ত্ৰ পৰিত্যাগি বৃক্ষ-বল্কল পৰিধান কৰিলে আৰু শহুৰ-দেউতা আৰু শাহু-আয়েকৰ আলপৈচান ধৰাত নিজক নিয়োজিত কৰিলে।

ক্ৰমে ক্ৰমে সুখতে লালিতা-পালিতা সেই আতোল-তোলীয়া সাবিত্ৰী সাধাৰণ জীৱনত অভ্যস্ত হৈ উঠিল আৰু পূৰ্ণ পৰিতৃপ্তিৰে একমনে সংসাৰ-ধৰ্ম নিৰ্বাহ কৰি থাকিল।

কিন্তু পতি-দেৱতাৰ আয়ুস যে দিনে দিনে ক্ষীণতৰ হৈ আহিছে, সেই কথা সুঁৱৰি সাবিত্ৰী কিঞ্চিত বিষণ্ণ হৈ পৰিল।

ক্ৰমে ক্ৰমে সত্যৱান মৃত্যুদিন চাপি আহিল। আৰু মাত্ৰ চাৰি দিনৰ আয়ুসহে আছে সত্যৱানৰ। আৰু এই চাৰিদিনৰ প্ৰথম প্ৰভাততে সাবিত্ৰীয়ে ত্ৰিৰাত্ৰি-উপৱাস আৰম্ভ কৰিলে।

এই কথা জানি বৃদ্ধ দ্যুমৎসেনে বোৱাৰী সাবিত্ৰীক ক'লে, "পুত্ৰী, তুমি এনেয়ে সুখ-পালিতা হৈ আছিলা, দুখক বৰণ কৰিলা ; তদুপৰি এই সুকঠিন-কষ্টকৰ ব্ৰতত ধৰিলা কিয় ? এই ব্ৰত নকৰিবা বুলিও মই তোমাক ক'ব পৰা নাই।"

"যিকোনো কাৰ্য্যত দৃঢ় নিশ্চয় হোৱাটো ডাঙৰ কথা। যি-কাৰ্য্য মই আৰম্ভিলোঁ, সেই কাৰ্য্য নিশ্চয় এতিয়া ত্যাগ নকৰোঁ।" সাবিত্ৰীয়ে শহুৰেকক ক'লে।

'তাৰ পাছত সেই শেষ দিন আহিল।

নাৰদমুনিয়ে কোৱা মতে—আজিয়েই সত্যৱানৰ জীৱনৰ শেষ দিন। সাবিত্ৰীয়ে প্ৰাতঃকালতে অগ্নি-প্ৰজ্জ্বলন কৰিলে, হোম কৰিলে, শাহুআই-শহুৰদেউতাক প্ৰণাম কৰিলে, ঋষি মুনিসকলক সাষ্টাংগে প্ৰণাম কৰিলে, আৰু তেওঁলোকৰপৰা 'দীৰ্ঘ সুমঙ্গলী ভৱ' এই আশীৰ্বাদ পালে।

আৰু তাৰ পাছত—আগন্তুক সংকটৰ গভীৰ ফলাফলৰ তথা জীৱনত তাৰ পৰিণামৰ বিষয়ে মৌন হৈ চিন্তিবলৈ ধৰিলে।

সত্যৱানে সেইদিনাও যথাৰৎ কুঠাৰ কান্ধত লৈ অৰণ্যলৈ বুলি খোজ ল'লে। হঠাৎ সাবিত্ৰীয়ে পতি সত্যৱানক ক'লে, "আজি ময়ো আপোনাৰ সৈতে অৰণ্যলৈ যাম। আজি—কিয় নাজানো—আপোনাক এৰি থকাৰ মন যোৱা নাই মোৰ।"

"হাৰে পাগলী ক'ববাৰ! অৰণ্য যে কি—সেই ধাৰণাও তোমাৰ নাই। অৰণ্যপথ অতি দুৰ্গম। আৰু—তুমি যোৱা তিনিদিন ধৰি উপৱাসী। গতিকে—এই ইচ্ছা পৰিহাৰ কৰাই ভাল।" সত্যৱানে ক'লে।

কিন্তু তথাপি সাবিত্ৰী অটল। আজি—স্বামীক একোপধ্যেই এৰি নাথাকিব তেওঁ—এৰি থাকিবনোৱাৰিব।

সত্যৱানে শেষ চেষ্টা দিলে। ক'লে যে—মাতৃ-পিতৃৰ অনুমতি পালেহে তেওঁ লৈ যাব, নতু নিনিয়ে। সাবিত্ৰীয়ে শহুৰদেউতাৰপৰা, বা শহুয়েকৰপৰাও কেতিয়াও একো খোজা নাছিল। এতেকে — তেওঁলোকৰপৰা অৰণ্যলৈ যোৱাৰ বাবে অনুমতি খোজাত

তেওঁলোকে সানন্দে সেই অনুমতি দিলে।

সাবিত্ৰীৰ মনত আজি অপাৰ দুঃখ, কিয়নো—আজিৰ দিনটোৱেই স্বামীৰ শেষ দিন—তথাপি, সত্যৱানে এই বিষয়ে একা টলকিব নোৱৰাকৈ—সাবিত্ৰীয়ে আনন্দেৰেই অৰণ্যপথেদি গৈ আছিল।

সত্যৱানে ফল-ফুলেৰে পাচি ভৰালে, আৰু তাৰ পাছত কুঠাৰেৰে শুকান খৰিকাঠ কাটিবলৈ ধৰিলে। অলপ সময়ৰ অন্তত সত্যৱান ভাগৰি পৰিল আৰু কুঠাৰখন ভূমিলৈ দলিয়াই পেলাই সাবিত্ৰীক কৈ থাকিল, "মই আনকি থিয় হৈ থাকিবও পৰা নাই। —সাবিত্ৰী, মই—মই ইয়াতে অলপ শোওঁ।"

সাবিত্ৰীয়ে সত্যৱানক জঙ্ঘাৰ ওপৰত শোৱালে আৰু সত্যৱান যেতিয়া গভীৰ

নিদ্ৰানিমগ্ন হ'ল—তেতিয়া সাৱিত্ৰীয়ে তেওঁৰ সমুখত এক ধূমক'লা ৰঙা-চকুৱা নীল-বসন পিন্ধা আৰু হাতত পাশৰে সৈতে আকৃতি এটা দেখা পালে। এই আকৃতি দেখাত অতি ভয়ংকৰ আছিল। এই আকৃতিক টঁ টঁকৈ চাই থকা দেখি সত্যৱানৰ মস্তক কলাফুলৰপৰা ভূমিত থৈ সাৱিত্ৰী থিয় হৈ উঠিল আৰু আকৃতিলৈ নমস্কাৰ জনালে। সাৱিত্ৰীয়ে সেই আকৃতিক সুধিলে, "মহাশয়, আপুনিনো কোন? ইয়ালৈ কিয়বা আহিল দয়া কৰি ক'বনে?"

"দেৱী, মই—যম। তুমি সত্য পতিব্ৰতা বুলি মোক দেখা পাইছা। তোমাৰ পতি সত্যৱানৰ আয়ুস-চাউল টুটিল। সত্যৱান অতিশয় ধৰ্মাত্মা হোৱাহেতুকে—দূত প্ৰেৰণ নকৰিলোঁ—মই স্বয়ং তেওঁক লৈ যাবলৈ আহিলোঁ।" এই বুলি কৈয়েই চকুৰ পচাৰতে যমে তেওঁৰ হস্তস্থিত পাশ সত্যৱানৰ দেহৰপৰা অঙ্গুষ্ঠপ্ৰমাণ জীৱ ওলাই আহি দক্ষিণাভিমুখী হৈ বায়ুৰে সৈতে যাত্ৰা কৰিলে।

সাৱিত্ৰীয়ে পতিৰ মৃতদেহ অৰণ্যতে সুৰক্ষিত কৰি থৈ যমৰ পিছে পিছে গৈ থাকিল। যমে সাৱিত্ৰীক উভতি যাবলৈ ক'লে। কিন্তু সাৱিত্ৰী তথাপি যমৰ পিছে পিছে গৈয়েই থাকিল। তেওঁ কিয় এইদৰে গৈ আছে বুলি সোধাত সাৱিত্ৰীয়ে যমক ক'লে যে—পতিৰ প্ৰাণ য'লৈকে তালৈকে তেৱোঁ গৈ থাকিব।

তেতিয়া যমে সাৱিত্ৰীক কিবা এটা বৰ খুজি ল'বলৈ ক'লে। যমে ক'লে, "পতিৰ প্ৰাণ বিনে যেইকোনো বৰ তোমাক দিম।"

"মোৰ শহুৰদেউতা বৃদ্ধ আৰু অন্ধ। তেওঁ শক্তিমান আৰু দৃষ্টিৱান হওক।"

যমে সাৱিত্ৰীৰ এই বৰ-প্ৰাৰ্থনা মানি ল'লে।

কিন্তু তথাপি সাৱিত্ৰী যমৰ পিছে পিছে গৈয়েই থকা দেখি যমে প্ৰমাদ গণিলে! বৰ

পায়ো দেখোন নুগুচা হ'ল। যমে সাৱিত্ৰীক দ্বিতীয় বৰ এটা খুজিবলৈ কোৱাত সাৱিত্ৰীয়ে অশ্বপতিৰ শও পুত্ৰ হোৱাৰ বৰ প্ৰাৰ্থিলে আৰু যম এই কথাতো মান্তি হ'ল। কিয়নো— এইদৰেহে যদি এই বজৰলেপিনীৰ হাতৰপৰা সাৰণ হয়—তেও ভাল। যমে ক'লে, "হ'ব, তোমাৰ দেউতাৰাই শত পুত্তৰ পাব। তেনেহ'লে—এতিয়া আৰু নাহিবা—তুমি মোৰ পিছে এৰা তেনে — ?"

"এৰিম, নিশ্চয় এৰিম। পিছে—মোৰ পতিৰ জীৱ তেন্তে ঘূৰাই দিয়ক।"

তেতিয়া যমে সাৱিত্ৰীক তৃতীয় বৰ এটা খুজিবলৈ ক'লে আৰু এইবাৰ সাৱিত্ৰীয়ে শহুৰেকে যাতে তেওঁৰ ৰাজ্য ঘূৰাই পায় সেই বৰ খুজিলে। যমে এইবাৰো 'তথাস্তু' বুলি কৈ, সত্যৱানৰ জীৱ লৈ, বেগাই খোজ ল'লে।

কিন্তু সাৱিত্ৰীয়েও বিজুলীগতিৰে পিছে পিছে আছি থকা দেখি নিৰুপায়ত পৰা যেন হৈ যমে সাবিত্ৰীক চতুৰ্থ বৰ খুজি ল'বলৈ কোৱাত সাৱিত্ৰীয়ে সত্যৱানৰ বংশ বৃদ্ধি হোৱাৰ বৰ খুজিলে।

ককবকাই থকা যমে ক'লে, "যি মাঙিছা হৈ যাব, দিয়া যাব—তোমালোকৰ শতপুত্তৰ হ'ব। এইবেলি তেনে দয়া কৰা, দয়া কৰি মোৰ পিছ এৰা —।"

নিৰুপায়ত পৰা যমে সত্যৱানৰ জীৱ তাতেই এৰি থৈ যঃ পলায়তি সঃ জীৱতিকৈ সাৱিত্ৰীৰ দৃষ্টিৰপৰা পলাই সৰিল।

যম নোহোৱা হোৱাৰ লগে লগে সাৱিত্ৰী পুনৰ মৃত সত্যৱানৰ ওচৰলৈ উভতি আহিল। তিমানতে সত্যৱানে পুনৰ জীৱ ঘূৰাই পাইছিল। সত্যৱানে সাৱিত্ৰীক কৈছিল, "মই টোপনিত একেবাৰে লাল-কাল হৈ পৰিছিলোঁনে ?"

"সন্ধ্যা সমাগত। এতিয়াই অৰণ্যৰপৰা ওলাব লাগে। যি হৈছিল—পাছত ক'ম।"

এই বুলি কৈ সাবিত্ৰীয়ে পতিক ভূমিশয্যাৰপৰা উঠাই পুনৰ গৃহাভিমুখী হ'ল।

তাৰ পাছত, গৃহ-প্ৰত্যাগতা সাৱিত্ৰীয়ে সকলোটিৰ আগত সৰ্ব বৃত্তান্ত বিবৰিছিল।

সাৱিত্ৰী-সত্যৱানৰ বৃত্তান্ত কোৱাৰ অন্তত মাৰ্কণ্ডেয় মুনিয়ে ধৰ্মৰাজক ক'লে, "দ্ৰৌপদীৰ পাতিব্ৰত্যই তোমালোকৰো কুলাই-পাচিয়ে নধৰা দুখ-কষ্ট দূৰতে বিদূৰ কৰিব।" [আগলৈ

চান্দমামা

সম্বাদ-বি-সম্বাদ

কলিযুগৰ অন্ত পৰিব কাহানিকৈ

হিন্দুসকলৰ বিশ্বাস যে—এই বিশ্বৰ সৃষ্টিকৰ্তা হ'ল ব্ৰহ্মা। হিন্দু সকলৰ পূৰ্বজসকলে কালক্ৰমক চাৰি ভাগেৰে ভগাইছিল : কৃতযুগ, ত্ৰেতাযুগ, দ্বাপৰযুগ, আৰু কলিযুগ। বিশ্বাস কৰা হয় যে— কলিযুগৰ ৫০১৭ বছৰ পাৰ হৈ গ'ল, আৰু—আৰু ৪৩২০০০ বছৰৰ অন্তত কলিযুগৰ অন্ত পৰিব। হিন্দু জ্যোতিৰ্বিদ্যাৰ মতানুসাৰে১,১৫৫,৮৮৪,০৯৭ বছৰৰ পূৰ্বতে এই বিশ্বৰ সৃষ্টি হৈছিল। ভাৰতৰ ভালেমান প্ৰান্তত ৮ এপ্ৰিলৰ দিন নতুন বছৰৰ আৰম্ভণী। আৰু—অসম, বংগ, তামিলনাডু, কেৰল আদি ৰাজ্যত নতুন বছৰৰ অৰম্ভণীৰ দিনটো হ'লএপ্ৰিলৰ ১৪।

চাকিও নজ্বলা দিন

ইন্দ'নেজিয়াৰ বালী দ্বীপত হিন্দুসকলেই সংখ্যাগৰিষ্ঠ। তাত এপ্ৰিলৰ ৯ তাৰিখৰ দিনটোক এক বিশেষ দিন হিচাপে গণ্য কৰা হয়। সেই দিনা কোনো ঘৰৰপৰা নোলোৱা হয়, চাকি জ্বলোৱা নহয়, কোনো ক'লৈকো যাত্ৰা নকৰা হয়, কোনোবিধৰ ৰং-ধেমালিও কৰা নহয়। কেৱল—বিশেষ অনুমতিপ্ৰাপ্ত যান-বাহন চলাচল কৰে। ঘাইকৈ পৰ্যটকৰ খদম-দম থকা এই দ্বীপ সেই দিনা নিৰজন-নিৰল হৈ প্ৰায় নিমাওমাও হৈ পাৰে।

সোণৰ ডাক-টিকেট

ইন্দ'নেজিয়াৰ ৰাষ্ট্ৰপতি ছুহাৰ্তোৰ ধৰ্ম-পত্নী ছিতি হৰ্তিনা এবছৰৰ ২৮ এপ্ৰিলৰ দিনা আগতে স্বৰ্গী হ'ল। তেওঁৰ সন্মানাৰ্থে ইন্দ'নেজিয়াৰ ডাক-বিভাগে ৩০,০০০ ডাক-টিকেট উলিয়ালে যি ডাক-টিকেটৰ এখনৰ বেচ ১৯২ ডলাৰ (প্ৰায় পাঁচ হেজাৰ টকা) আৰু এই টিকেটত স্বয়ং ৰাষ্ট্ৰপতিৰ হস্তাক্ষৰ আছে। এই ডাক-টিকেট সোণেৰে নিৰ্মিত।

মৃত্যুহীন মৈত্ৰী

ছেদিলাল আছিল অযোধ্যাৰ অধিবাসী, আৰু মহম্মদ মতীন ফৈজাবাদৰ। দুয়ো—যোৱা পঞ্চাছ বছৰ ধৰি একেলগে ঘূৰি ঘূৰি গল্প কৰে মনৰ কথা পাতে। হঠাৎ এদিন মতীন অসুস্থ হৈ পৰিল। মতীনৰ অসুস্থতাৰ খবৰ পোৱা মাত্ৰেই ছেদিলাল ফৈজাবাদলৈ বুলি ৰাওনা হ'ল। কিন্তু ছেদিলালে মতীনৰ ঘৰ পোৱাৰ আগতেই মতীনৰ ইন্তেকাল হৈ গ'ল। বন্ধুৰ মৃতদেহলৈ চাই ছেদিলাল অচেতন হৈ পৰিল, আৰু কিছু সময়ৰ অন্তত ছেদিলালও তাতেই ঢুকাল। এপ্ৰিলৰ ১২ তাৰিখে দুয়োজন বন্ধুৰ সৎকাৰ কাৰ্য্য হ'ল। দুয়োখন চহৰৰ অধিবাসীসকলৰ বক্তব্য হ'ল যে—এই নল-গল বন্ধুতা হ'ল—হিন্দু-মুছলমান মৈত্ৰীৰ এক জ্বলন্ত উদাহৰণ, যি অমৰ মৈত্ৰীৰ মৃত্যু নাই!

চান্দমামা
ক্ৰোড়পত্ৰ
১০৩

ভাৰতৰ
শোভা

মৰ্ত্যৰ স্বৰ্গ—এই গিৰি নীলগিৰি



নীলগিৰি পৰ্বত দক্ষিণ ভাৰতৰ পশ্চিম প্ৰান্তত বিয়পা। এই পৰ্বতৰ সেউজ-সমাৰোহৰ শোভা অতুলন। এই পৰ্বতত প্ৰায় ত্ৰিছবিধৰ বনৰীয়া পুষ্প বিকশিত। নীলগিৰি পৰ্বতত বনৰীয়া ছাগৰ সমদল মন কৰিবলগীয়া, এই প্ৰজাতিৰ ছাগ এতিয়া আৰু এহেজাৰমানহে আছে বুলি অনুমিত।

এই পৰ্বতত—বাৰ বছৰত এবাৰকৈ ফুলা 'কুৰিঞ্জি' নামৰ ফুলৰ নীলা বৰণে নীলগিৰি পৰ্বতক অনিৰ্বচনীয়ভাবে শোভাময় কৰি তোলে। নীলগিৰি পৰ্বতৰ অৰণ্যত সম্বৰ আৰু নাহৰফুটুকী অধিক



সংখ্যাত পৰিলক্ষিত হয়। নীলগিৰিৰ অৰণ্যত 'ৰালছাম' জাতিৰ বৃক্ষৰ সমদলেও এই পৰ্বতক অপৰূপ শোভাময় কৰি তুলিছে। এই বৃক্ষসমূহতো চিত্ৰ-বিচিত্ৰ ফুল ওপজে। নীলগিৰিৰ প্ৰাকৃতিক শোভা মানৱ-হৃদয়ৰ এক অপাৰ্থিৱ সমল যেন লাগে। এই কাৰণেই নীলগিৰিক মৰ্ত্যৰ স্বৰ্গ বুলি অভিহিত কৰা হয়।

© 1997 UBC Feature World. All rights reserved

সূর্য্যবংশৰ আদিপুৰুষ : ইক্ষ্বাকু

ভাৰতীয় ভাৱধাৰাৰ তথা সংস্কৃতিৰ সৰ্বতোমুখী বিকাশৰ ক্ষেত্ৰত ভাৰতৰ ৰাজর্ষি সকলৰ অৱদান মুখ্য। ভাৰতৰ ৰাজষিৰ্ষসকলে ভাৰতীয় ভাৱধাৰাৰ প্ৰসাৰৰ কৰে বিস্তৃতভাৱে প্ৰয়াস কৰিছিল। প্ৰতিজন ভাৰতীয় লোকেই অল্পাধিক জানে যে ভাৰতৰ সামাজিক-জীৱনত বশিষ্ঠ, বিশ্বামিত্ৰ প্ৰমুখ ঋষিৰ ভূমিকা কি।

বিশ্বামিত্ৰই সিংহাসন পৰিত্যাগ কৰি ঋষি হৈছিল। জনক ৰজা আছিল, কিন্তু ৰজা হৈও ঋষিৱৎ জীৱন যাপিছিল। ভাৰতৰ অসংখ্য ৰজা আছিল সাহসী, বীৰ, শাসন-দক্ষ, ত্যাগী আৰু ভাৰতীয় জাতিৰ ৰূপকাৰ। এওঁলোকৰ মাজত অদৰ্শ-ৰোধ আছিল অতি উজ্জ্বল আলোক। সেই সুদূৰ অতীজৰপৰা আজিও শ্ৰীৰামচন্দ্ৰ ভাৰতৰ জন-মনত শ্ৰদ্ধাৰ আসনত প্ৰতিষ্ঠিত হৈ আছে।

শ্ৰীৰামচন্দ্ৰক ইক্ষ্বাকুবংশীয় বুলি গণ্য কৰা হয়। ইক্ষ্বকু সূৰ্য্যবংশীয়, সূৰ্য্যবংশৰ আদি পুৰুষ। ইক্ষ্বাকুৰ পিতৃ আছিল বৈৱস্বতমনু, মাতৃৰ নাম শ্ৰদ্ধাদেৱী। বৈৱস্বতৰ অৰ্থ হ'ল—সূৰ্য্য-ভগৱানৰ পুত্ৰ।

সূৰ্য্যবংশীয় আদি ৰজা ইক্ষ্বাকুৰ বিষয়ে সবিশেষ বিবৰণ পৌৰাণিক-ইতিহাসৰ পাততো অলভ্য। হৰিশ্চন্দ্ৰ, নগৰ, ভগীৰথ প্ৰমুখ সুবিখ্যাত ৰাজর্ষিসকল হ'ল সূৰ্য্যবংশীয়। সূৰ্য্যবংশৰ আদি পুৰুষ হোৱাহেতুকে ইক্ষ্বাকুৰ নাম মৰ্ত্যৰ মানৱ-সমাজত চিৰস্মৰণীয় হৈ থাকিল।



ইনুকা

সুপ্ৰাচীন কালৰ ৰেড ইণ্ডিয়ানহঁতৰ অন্যতম বংশজ ইন্‌কাহঁত পেৰুত বসবাস

কৰিছিল। ইন্‌কাহঁত পেৰুৰ ৰাজধানী কুজোৰ আশ-কাষতে অধিক সংখ্যাত আছিল। ইন্‌কাহঁতৰ মাজত ৰজাও আছিল, দাসো আছিল। এওঁলোক অনেক ঠালেৰে বিভক্ত হৈ আছিল। এওঁলোকে খেতি-বাতিও জানিছিল। মকাই, গোমধান, আলুগুটি আৰু অন্যান্য শাক-পাচলিও ওপোজাব পাৰিছিল আৰু এইবোৰেই আছিল ইন্‌কাহঁতৰ প্ৰধান আহাৰ্য্য। ইন্‌কাহঁতে *ইল্‌মা* নামৰ জন্তু পুহিছিল আৰু এই জন্তু আছিল ইন্‌কাহঁতৰ জীৱনযাপনৰ অন্যতম ঘাই সহায়ক তথা প্ৰকৃত বন্ধু।

ইন্দ্ৰ–ধনুষ

©1997 UBC Feature World. All rights reserved

বৰফ – মানুৱ

এস্কিমো-ৰ অৰ্থ হ'ল—কেঁচা মঙহ-খোৱা-মানুহ। এস্কিমোহঁতে *'ছিল্'* নামৰ জন্তুৰ মঙহ খায়, ছিল্-ৰ ছালেৰে তম্বু বনায়। এস্কিমোহঁতে নিৰ্মাণ কৰা *কায়াক* নামৰ নাও সুপ্ৰসিদ্ধ। কায়াকত উঠি আহ-যাহ কৰা এস্কিমোহঁতে ছিল-ৰ ছালেৰে তৈয়াৰী কোটচোলা পিন্ধে। এওঁলোকৰ নিৰ্মিত *শ্লেজ* নামৰ গাড়ী বৰফৰ দেশৰ কুকুৰবিলাকে চলায়। এস্কিমোহঁতৰ থকাঘৰক 'ইগ্‌লু' বোলে। এস্কিমোহঁতৰ মতে—প্ৰকৃতিত থকা সকলো প্ৰাণীৰেই আত্মা আছে। এই এস্কিমোহঁতেই হ'ল প্ৰকৃত বৰফৰ মানুহ।



ভক্তবৈশ্য ভগৱন্ত

ৰজা মহৎহৃদয় আছিল কঠোৰ নাস্তিক, কিন্তু নামে-কামে সঁচা, হৃদয়ত মহৎ। ভগৱানত বিশ্বাস—এচিকুটমানো নাছিল, কিন্তু প্ৰজা-ৰাইজৰ ওপৰত বিশ্বাস আছিল সুদৃঢ়। আৰু প্ৰজা-ৰাইজেও—তেওঁলোকৰ ৰজা কঠোৰ নাস্তিক বুলি জনা সত্ত্বেও—তেওঁৰ প্ৰতি অবিশ্বাসী নহৈছিল। নাস্তিক ৰজা মহৎহৃদয়ে কঠিন হস্তেৰে শাসনৰ বাঘজৰী চম্ভালিছিল, আৰু প্ৰজাৰ সুখৰ কাৰণে আত্মসুখৰ কাষেদিও নগৈছিল। ৰজাই বছৰি এবাৰকৈ বেশছন ধৰি দেশৰ চুকে-কোণে ভ্ৰমি ফুৰিছিল, প্ৰজাৰ সুখ-দুখৰ খবৰ লৈছিল, আৰু এইদৰে জানি লোৱা ত্ৰুটি-বিচ্যুতিৰ সংস্কাৰ সাধিছিল।

এইদৰেই, এবাৰ বেশছন ধৰি ওলাই, বাট বুলি বুলি গৈ-গৈ মহাৰাজ মহৎহৃদয় পৰিশ্ৰান্ত হৈ পৰিল, আৰু বাটৰ অনতিদূৰত থকা কুঁৱা এটাৰপৰা পানী পি-খাই সুস্থ হ'ল। তেওঁ ইফালে-সিফালে চাই, এঠাইত এজোপা বড়গছৰ তলত এজন মানুহক আকাশৰ পিনে চকু মেলি নিৰ্লিপ্ত-নিশ্চেষ্ট অৱস্থাত বহি থকা দেখা পাই মানুহজনৰ কাষ চাপিল আৰু সুধিলে, "তুমিনো ক'ৰ মানুহ। ইমান আমন-জিমনকৈ বহি আছানো কিয় ? তোমাক বৰ চিন্তিত মানুহ যেন লাগিছে। কথানো কি ?"

"কথা—হওঁতে নতুন কিবা নহয়। দুখতে ওপজা দুখতে ডাঙৰ হোৱা দুখেৰে ককবকোৱাইনো চিন্তাত বহি নাথাকি সুখত থাকিমনে ? —সুখৰ কথা শুনিছোঁহে, সুখ কি নাজানিলোঁ।" দুখীয়া মানুহজনে ক'লে।

"তুমি কি কাম কৰা ?" ৰজাই সুধিলে, "ক'ৰবাত চাকৰি-বাকৰি কৰানে কি ?"

"বাকৰি—হওঁতে আছে, চাকৰি নাই। সৌ যে তিনিজোপা তালৰ মাজত মাটিখিনি দেখিছে—সেইখিনি—এতিয়া বাকৰিহেনেই

প্ৰশান্ত মহন্ত

হৈছেগৈ—মোৰেই। একেবাৰে বাকবি হৈ থকা নাই—আৰু এসময়ত সাৰুৱায়েই আছিল ; কিন্তু আচলু কথা হ'ল — যে তেৰাৰ—পৰমাত্মাৰ দৃষ্টি মোৰ ওপ'ত নাই।" মানুহজনে খেদৰে ক'লে, "এয়ে হ'ল দুখৰ সাৰ-সাৰুৱা কথা।"

দুখীয়াবো দুখীয়াৰ মুখত 'তেৰা' 'পৰমাত্মা' আদি শুনি ৰজাৰ খঙেই উঠিল, তথাপি, ই মূৰুখৰো মূৰখে আৰুনো কি ক'ব বুলি ভাবি তেওঁ তাক ক'লে, "আচল কথা হ'ল—মেহনত। মেহনত কৰিলেই মুখো ভৰে, দুখো আঁতৰে। তোমাৰ যিখিনি খেতি-মাটি আছে তাৰে কিন্তু তুমি ভালেৰেই থাকিব পাৰা—যদি নিজৰ বাহুবল-বুদ্ধিবল খটোৱা।"

ৰজাৰ কথাৰ উত্তৰত দুখীয়াই ক'লে, "এলাহ কি—মই জীৱনত জনা নাই। কিন্তু—যোৱা তিনি বছৰ ধৰি মোৰ ওপৰত যি বিপৰ্য্যয় হৈছে—শুনকেচোন। তেতিয়া আপুনি নিজেই বুজি পাব যে কিয় ভগৱানে মোক মোৰ বোলা নাই বুলি মই কৈছোঁ।" — কেইবাৰমানলৈ গল-হেঁকাৰি মাৰি লৈ দুখীয়াই পুনৰ তাৰ দুখৰ পাচি মেলি ধৰিলে, "হ'ল কি—তিনি বছৰৰ প্ৰথম বছৰত মোৰ মাটিত শস্যৰ ওগাইৰহ হ'ল। ভাবিলোঁ, এইবাৰ ভগৱন্তই মোক মোৰ বুলিলে। শস্যবোৰ বস্তাত দ'মালোঁ, আৰু ঘৰলৈ লৈ আহিলোঁ। তা'পাছত গাঁৱৰ পৰিত্ৰমহাজনৰ ওচৰলৈ গ'লোঁ। তাৰপৰা উভতি ঘৰ পায়েই যি দেখিলোঁ —! দেখিলোঁ যে মোৰ ছনৰ চালৰ ঘৰ তৌ-তৌকৰে জ্বলি আছে। চাওঁতে চাওঁতে ঘৰ এমুঠি ছাই হৈ গ'ল,



শস্যও আটাইখিনিয়েই নষ্ট হৈ গ'ল প্ৰায়, মাত্ৰ তিনি-চাৰিটামান বস্তা জুইৰ গৰাহৰপৰা ৰেহাই পাইছিল। এই ঘটনা ঘটিছিল মোৰ ল'ৰা দুটাৰ মাজত কাজিয়াৰ ফলত। সিহঁতৰ মাজত এটাই পাকঘৰৰ চুলাৰপৰা জ্বলি থকা খৰিকাঠেৰে আনটোক আক্ৰমণ কৰিছিল, আৰু তাৰে দলি মাৰি পঠোৱাত ঘৰৰ ছনৰ চালত পৰিছিলগৈ—এতিয়া কওকেই, এই ঘটনাক — ঈচৰে মোৰ নোবোলাৰ বাহিৰে — আৰুনো কি ক'ম ? ইয়াক মোৰ দুৰ্ভাগ্যৰ বাহিৰে—কি ক'ম—আপুনিয়েই ক'ক।"

ৰজাই মনপুতিয়েই দুখীয়াৰ কথা শুনিছিল আৰু পাছত কৈছিল, "দুৰ্ঘটনা—দুৰ্ঘটনা। এইবোৰ দুৰ্ঘটনাৰ সৈতে ঈশ্বৰ, ভগৱান, তেৰা আদিৰ কোনো সা-সংস্ৰৱ নাই।—ঠিক হ্যায়,

কোৰা, তাৰ পাছত কি হ'ল—?"

ছদ্মবেশী ৰজাৰ কথাত গৰিব মানুহজনৰ মনত কিঞ্চিত অজান সন্দেহ হ'ল। সি ৰজালৈ সন্দেহভৰা দৃষ্টিৰে চালে আৰু ক'লে, "দোচোৰা বছৰতো আমি দিনে-নিশাই খেতিমাটিত শ্ৰম কৰিছেলোঁ, আৰু শইচো ওনা-ওনেই পাইছিলোঁ। আৰু এইবাৰ যাতে আগৰবাৰৰ দৰে কিবা দুৰ্ঘটনা নহয়—তাৰ বাবে কঁকালত টঙালি বান্ধিছিলোঁ। আমাৰ পৰিত্ৰ মহাজনৰ গুদামত শইচ ৰাখিব লাগিব, আৰু ইমান ওপজ এদিনতে বস্তাত ভৰাই ৰখা নাযাব। বস্তা যোগাৰ কৰোঁতেই দিনটো গ'ল, শইচখিনি ৰাতিছোৱাৰ বাবে বাহিৰতে পৰি থাকিল, কালিলৈ অৱশ্যে মহাজনৰ গুদামত ভৰোৱা যাব। অ'হৰি—কি হ'ল জানেনে —? গধূলিৰ আগে আগে আকাশখনে দুই-এক সৰুসুৰা গিৰ্জনি মাৰিলে, কোবাল বতাহ বলিলে, ধুমক'লা ডাৱৰে আকাশখনক ঢাকি ধৰিলে, আৰু তা'পাছত যি হ'ল—নেৰানেপেৰা দুৰ্বাদল বৰষুণ তিনিটা দিনলৈ সেই পানী নৰ'ল, কেৱল মোৰ নহয়—অধিকভাগ খেতিয়কৰে ওপজ একেবাৰে নষ্ট হ'ল।"

"প্ৰথমে অগনিদেৱতাই, পাছত বৰুণ দেৱতাই এইদৰে জুৰুলা কৰিলে তোমাক—তোমাৰ নিশ্চয় এয়ে ধাৰণা হৈছে। কিন্তু মই ক'ম যে—তোমাৰ দোষতে তোমাৰ কপালত জুই লাগিল। তুমি অকলেই সকলোখিনি শস্যৰ লাভ খাবা বুলি ভাবি কোনো বনুৱা-তনুৱাক কামত নল'লা বুলিহে তোমাৰ ওপজ তুমিয়েই নষ্ট কৰিলা। আৰু চাৰিজনমান কামকৰা মানুহ লোৱাহেঁতেন এদিন নহয়—দুদিনৰ আগতেই শস্যখিনি মহাজনৰ গুদামত থৈ দিব পাৰিলাহেঁতেন।" ৰজাই গৰিবক ক'লে।

তেওঁৰ কথাখিনি শুনিয়েই দুখীয়াই হাত যুৰি ছদ্মবেশী ৰজাক নমস্কাৰ কৰি ক'লে, "হে মহাপ্ৰভু, আপুনি—আপুনি ছদ্মবেশত আমাৰ মহাৰাজেইনে কি—কওকচোন ?"

ৰজাই উচপ খাই উঠি ক'লে, "কিয় তেনেকৈ ভাবিছা —?"

"মোৰ দুখৰ কাহিনী শুনোতাই সাধাৰণভাবে মোৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰে, মোৰ দুৰ্ভাগ্যৰ কথাত হুমুনিয়াহ কাঢ়ে। কিন্তু আপুনি একেবাৰে বেলেগ, মোৰ দুৰ্ভাগ্যৰ কথা বাদ দি মোৰ দুষ্কৰ্মৰ কথালৈহে আপুনি

বাৰেপতি আঙুলিয়াইছে।"

মহাৰাজে তাৰ কথাখিনিৰ শলাগ লৈ ক'লে, "মই এই কথাত ভাল পাইছোঁ যে—তোমাৰ মাজত কিছু তাৰ্কিক জ্ঞান আছে। মই কোন—পাছতো জানিব পাৰিবা। এতিয়া কোৱাঁ তৃতীয় বছৰ — তৃতীয় বাৰ কি হৈছিল।"

গৰিব মানুহজনে নিৰ্লিপ্ত দৃষ্টিৰে ছদ্মবেশী ৰজালৈ কিছু পৰলৈ চাই থাকিল। তাৰ পাছত ক'লে, "তৃতীয় বছৰৰ দুৰ্ভাগ্যইহে মোক একেবাৰে ৰসাতল পোৱালে। প্ৰথম বছৰত জুয়ে পোৰা ঘৰটো পুনৰ বনাবলৈ, আৰু দ্বিতীয় বছৰত—ঘৰখন চলাবলৈ মহাজনৰপৰা কৰ্জা লৈছিলোঁ। তৃতীয় বছৰতো ওপজ ভালেই হৈছিল। কিন্তু ঠিক সেইছোৱা সময়তে পৱিত্ৰ মহাজনক যমধৰ্মৰাজে মাতি লৈ গ'ল। তেতিয়া পৱিত্ৰ মহাজনৰ ঠাইত আহিল তেওঁৰ বেটা—চৰিত্ৰমহাজন—আচলতে যাৰ চৰিত্ৰ বোলা একো নাই। সি আমাৰ ডিঙিত টিপা মাৰি ধৰাদি ধৰিলে, কৰ্জা এতিয়া-এহিক্ষণে শোধাব লাগে, নহ'লে খেতি-মাটি আটাইখিনি তাৰ ওচ'ত বন্ধক ৰাখিব লাগে। লাগে মানে — লাগিলেই। মোৰেই মাটি তাৰ নামত লিখি দিলোঁ, আৰু তেতিয়াৰেপৰাই মোৰেই মাটিত মই গেবাৰী খাটিবলৈ ধৰিলোঁ। সি চৰিত্ৰ বা দুঃচৰিত্ৰই যি দিয়ে—তাৰে আধাপেটীকৈ খাই কথমপি পা-পৰিয়ালে তিষ্ঠি আছোঁ। এই বিষয়ে গাঁৱৰ গাঁওবুঢ়াকো একো কোৱাৰ উপায় নাই, কিয়নো গাঁওবুঢ়া হ'ল চৰিত্ৰৰ চিপিৰাকটীয়া শহুৰ। মোৰ কথা যিমানেই ন্যায্য হওক—সি



গাঁওবুঢ়াই তাৰ জোঁৱাইৰ বিৰুদ্ধে মাত মাতিবনে বাৰু? নামাতে। এতিয়া কওকেই—মোৰ দুখ গুচাবলৈ ভগৱানৰ বাহিৰে আছে কোন? — তেৰাৰ বাহিৰে কোনে মোক তাৰিব?"

তাৰ কথাত আমনি পাই ৰজাই ক'লে, "মূৰ্খ, তোমাৰ বিৰুদ্ধে যেতিয়া অন্যায় কৰা হৈছে—তেতিয়া সেই অন্যায়ৰ বিৰুদ্ধে কৰিবলগাখিনি নকৰি তুমি—সৰ্বেশ্বৰ, পৰমাত্মা, দয়াময়, কৰুণানিধি, তেৰা—আদি কৈ কৈ চেৰা-বলিয়াৰ দৰে চিল্লাইছাহে। এই কাৰণেই তোমাৰ জিন্দগী বৰবাদ হ'ল। গাঁওবুঢ়াই যদি তোমাৰ অভিযোগ নুশুনা হয়, মণ্ডলাধিকাৰী আছে; যদি মণ্ডলাধিকাৰীয়েও নলৰা হয়, দেশৰ ৰজা আছে—অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ, কিন্তু কেৱল হে ঈশ্বৰ হে



নোহোৱা দুখীয়াৰ কথা শুনি ৰজাই ইতিকিঙৰ সুৰেৰে ক'লে তাক, "যদি ভগৱানতে ইমান ভৰসা, খেতি-বাতিত ধৰিব লাগিছাইবা কিয় ? ভগৱানৰ ওচৰলৈ হাত যুৰি ইনাই-বিনাই ক'বা, আৰু ভগৱানে ভাল পাই সকলো এনেয়ে কৰি দিব, আৰু, তুমি—গিয়ানবুধীয়া সিয়ানে ভোজৰ খাইটো হৈ কেৱল খাই থাকিবা, পাগুলি-থাকিবা—বছ।"

ৰজাই যে তাক অতিপাত বেয়া পাইছে—সেইটি কথা দুখীয়াই নুবুজাকৈ নাথাকিল। সি অলপ ভয়ে ভয়ে কিন্তু স্পষ্ট মাতেৰে ক'লে, "মহাৰাজ, ভগৱানে আমাক কিন্তু ঠেং নচুৱাই কাল কটাবলৈ কোৱা নাই।"

মহাৰাজে খং চম্ভালিব নোৱাৰি বমকি উঠিল, হাৰে দুৰ্কপলীয়া, তোমাক যদি এতিয়া সেই চৰিত্ৰ মহাজনৰ হাতৰপৰা তোমাৰ মাটিখিনি উদ্ধাৰ কৰি দিওঁ মই—তেতিয়াও তুমি নিশ্চয় সেই ভগৱানৰ — পৰমাত্মা কৰুণানিধি তেৰাৰ গুণকে গাই থাকিবা—সেই নামকে লৈ থাকিবা।"

দুখীয়াই নম্ৰতাৰে ক'লে, "মহাৰাজ, আপোনাৰ অনুমান সঠিক নহয়। —মই ভগৱানৰ লগে লগে আপোনাৰ নামো ল'ম। আপোনালোক হ'ল—পৃথিৱীত ভগৱানৰ দূত। আমাৰ ভালৰ কাৰণেই ভগৱন্তই আপোনাসৰক ভেজিছে। গতিকে — মই আপোনাৰ ওচৰতো সদায় কৃতজ্ঞ হৈ থাকিম।"

ৰজাই এই কুতৰ্কী দুখীয়াটোক তেতিয়াই তৰোৱালেৰে দুছোৱা কৰিব বুলি ভাবিও নিজক ভগৱান বুলি চিঞৰিলেই সকলো হৈ যাবনে ? ভগৱান — ভাগ্য — এইবোৰেই তোমাক খালে। মহাৰাজে ক্ষুব্ধ কণ্ঠেৰে দুখীয়াক ক'লে।"

দুখীয়াই পুনৰ হাত যোৰ কৰি নমস্কাৰ কৰি ক'লে, "মহাৰাজ, আপুনি নিশ্চয় আমাৰ মহাৰাজেই হ'ব যে—সেই কথাত মোৰ আৰু সন্দেহ নাই। মোক মোৰ দুৰ্ভাগ্যই খুলি খাইছে হয়, কিন্তু ভাগ্যৱানক কোনেও মোৰ অৱস্থাত পেলাব নোৱাৰে বুলিয়েই মোৰ বিশ্বাস। আৰু — ভাগ্যত যি আছে হ'ব—তাৰ লৰ-চৰ কোনেও কৰিব নোৱাৰিব—এই কথাকে সাৰোগত কৰি মই বাস্তৱিকতে ভগৱানৰ ভৰসাৰে জীৱন নিয়াইছোঁ।"

ৰজাৰ কথাৰে অকণমানো প্ৰভাৱিত

কথমপি চন্তালি ল'লে আৰু ক'লে, "ঠিক হ্যায়, বতাও—আখিৰ তুমি কি ক'ব খুজিছা। যি কৰে ভগৱানেহে কৰে—তুমি এই কথা ভবা নাইনে এতিয়াও ?"

দুখীয়াই নম্রতাৰে ক'লে, "হয়, মহাৰাজ, এয়ে মোৰ বিশ্বাস। মোক যদি আপুনি সেই ভয়ংকৰ ৰাক্ষস-দ্বীপতো নির্বাসনলৈ পঠায়—তথাপি হয়তো তেৰাৰ দয়াত মোৰ ভাগ্য ফুলিবও পাৰে। আৰু—আপুনি যদি মোক আপোনাৰ সৈতে ৰাজধানীলৈ লৈ যায়, ৰাজপ্ৰাসাদতো ৰাখে, দুর্ভাগ্যই মোৰ লগ নেৰিবও পাৰে।"

মহাৰাজে হাত-চাপাৰি দিলে আৰু ক'লে, "হাৰে মূর্খ, মই তোমাক সেই ভয়ানক ৰাক্ষস-দ্বীপলৈহে পঠাম। চাম—তোমাৰ তেৰাই কেনেকৈ তোমাৰ কপাল ফুলায়।" এই বুলি কৈ, মহাৰাজ উঠি থিয় হ'ল।

ৰজাৰ কথা শুনি দুখীয়া ভেবা লাগিল। ৰাক্ষস-দ্বীপ মহাসমুদ্ৰৰ মাজত এক সম্পূর্ণ নিমাওমাও দ্বীপ। তাত হেনো এক বিৰাট ৰাক্ষস আছে, যিটো ৰাক্ষসে একেলগে দহোটা মানুহকো গিলি খাব পাৰে।

ৰজাই মাৰে—সমুদ্রে বুৰায় যে—এই কথা তাহানিৰ মথিয়নসকলেও জানিছিল। এই ৰজায়ো তাক মাৰিবলৈ যে যো-জা কৰিছে, সেই কথা ভাবি দুখীয়াৰ ডেডাউৰি পাৰিবৰ মন গ'ল। তেনেহেন — চাৰিওফালে সমুদ্ৰে আগুৰি থকা নিৰল-নিৰজন নিমাওমাও ভয়াবহ ৰাক্ষস-দ্বীপৰ কথা ভাবি দুখীয়াই দুধ-কন্ঠীয়া পৰা যেন পালে। তাৰ দেহত কঁপনি

উঠিল, ঠেঙে ঠেঙে ভোৰতাল বাজি থাকিল, সি ধাৰৰ নলকঁপা দিবলৈ ধৰিলে আৰু কঁপা-কঁপা মাতেৰে ক'লে, "মহাৰাজ, মোৰ মুখৰ কথাক—বতাহ বুলি ভাবি—ক্ষমা কৰক, মহাৰাজ। মোলৈ দয়া কৰক। আপুনিয়েই ভাবি চাওক, এটা দুখীয়াৰো দুখীয়াক ইমান কঠিনৰো কঠিন দন্ড দিয়াটো—উচিত হ'ব নে ?"

দুখীয়াই ভয় খোৱা দেখি ৰজা আনন্দিত হ'ল। তেওঁ হাঁহি মাৰি ক'লে, "যদি এই দন্ডৰ হাত সাৰিবা—সাৰিব পাৰিবা। এই দন্ডৰ ৰেহাই মোৰ হাতত নহয়, তোমাৰ হাততে। তুমি — যিমান যি কৈছা — সেইবোৰ ধুমুৰ মিছা—সেইবোৰ জানি-বুজি কোৱা নাই বুলি যদি কোৱা—যদি মাত্ৰ এই কথা স্বীকাৰ কৰা যে তোমাৰ দোষ হৈছিল—তুমি তোমাৰ সেই

খেতি-মাটিখিনি তৎক্ষণাৎ ঘূৰাই পাবা, তোমাৰ কৰ্জা শোধোৱা হ'ব, আৰু লগতে তোমাক ঢেৰ ধন-সোণও দিয়া হ'ব।"

দুখীয়া মানুহজনে অলপ পৰলৈ চিন্তিলে। সি ভগৱানক সুঁৱৰিলে, যিজনাৰ ওপৰত তাৰ অখন্ড বিশ্বাস আছিল। তাৰ তেজৰ তলত থকা ভগৱৎ বিশ্বাসে তাক যেনিবা ঠিঙিয়ালে। এই বিশ্বাস বিস্মৃত হৈ—এই বিশ্বাসক মষিমূৰ কৰি ৰজাৰ কথাত হয়ভৰ দিয়াটো—নীচ কাম হ'ব—সেই কথাই তাৰ অন্তৰত আন্দোল-দোল লগালে।

দুখীয়াই দৃঢ়তাৰে ৰজাক ক'লে, "মহাৰাজ, যদি সেই ৰাক্ষস-দ্বীপতে মৃত্যু হোৱাটো মোৰ ভাগ্যত নিৰ্দ্ধাৰিত আছে—তো মোক কোনেও মৃত্যুৰপৰা ৰক্ষা কৰিব নোৱাৰে। কপালৰ আঁক কোনেও মচিব পাৰে বুলি মোৰ বিশ্বাস নাই। আপুনি মোক তালৈকে পঠাওক। ভগৱানৰ যি ইচ্ছা, সেয়ে হওক। মোৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালীহঁতৰ কথা—আপোনাৰ দয়া আৰু সিহঁতৰ ভাগ্য।" এই বুলি কৈ, সি ৰজাক পুনৰ নমস্কাৰ কৰিলে।

দুখীয়াৰ এই কথাত ৰজাৰ মনত যিকণবা সহানুভূতি আছিল তাৰ প্ৰতি, কফুৰৰ দৰে উৰি গ'ল। এতিয় ৰজা আঁকোগজা হৈ উঠিল। তেওঁ এই দুখীয়া মানুহজনৰ যোগেদিয়েই গাঁওবুঢ়াক মতাই অনালে আৰু দুখীয়াক পা-পৰিয়ালৰে সৈতে তুৰন্তে ৰাজধানীলৈ লৈ যোৱাৰ বন্দৱস্ত কৰি দিবলৈ গাঁওবুঢ়াক ক'লে। প্ৰকৃত কথা যে কি—কোনেও নাজানিছিল। গতিকে—গাঁৱৰ সকলোটিয়েই এই দুখীয়াৰো দুখীয়াৰ ফুটা কপাল ৰাজানুগ্ৰহত ফুলিল বুলিয়েই খাটাংকৈ ধৰি লৈছিল।

ৰাজধানীলৈ যোৱাৰ লগে লগেই ৰজাই সেই দুখীয়াৰ পা-পৰিয়ালৰে সৈতে থকা-মেলাৰ বন্দৱস্ত কৰিলে। আৰু—স্বয়ং সিদ্ধান্ত ল'ব নোৱাৰি ৰহস্যময় ৰাক্ষস-দ্বীপলৈ তাক পঠোৱাৰ বাবে তেওঁৰ মন্ত্ৰীমন্ডলীক মতাই অনালে। কিয় যে তেওঁ সিদ্ধান্ত ল'ব নোৱাৰিলে, তেওঁ নিজেও বুজি নাপালে। পিছে—এইখিনি কথা ফটফটীয়াকৈ বুজি পালে যে—ইয়াকেই—এনে অভাৱিত সাৰণকে কিজানি 'ভক্তবৈশ্য ভগৱন্ত' বুলি কোৱা হৈছে।

মহাৰাজ মহৎহৃদয়ে জীৱনত প্ৰথমবাৰৰ বাবে ভগৱন্তৰ কথা গভীৰভাৱে ভাবি থাকিল।

জৰী নোহোৱা জৰী

ধৱলপুৰৰ ৰজাৰ আকস্মিক মৃত্যু হ'ল। তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ ভায়েক পাৰ্গতসিংহ সিংহাসনত অধিষ্ঠিত হ'ল। মৃত মহাৰাজৰ এটি বাৰ বছৰীয়া পুত্ৰ আছিল, নাম তাৰ সূৰ্য্যসিংহ।

ককায়েকৰ মৃত্যুৰ পাছত ৰজা উঠিয়েই পাৰ্গতসিংহৰ মনত দুৰ্বুদ্ধিয়ে মূৰ দাঙিলে। পাৰ্গত ভাবিলেঃ ৰজা ৰূপে নিষ্কন্টক হ'বলৈ এই বাৰ বছৰীয়াকে খতম কৰিব লাগিব, নহ'লে ইয়েই অলপ ডাঙৰ হৈ চৈধ্যভুৱন দেখুৱাব। সাপৰ সৰু-বৰ নাই।

মহামন্ত্ৰীয়ে কেনেবাকৈ পাৰ্গতসিংহৰ পেটত খুৰ থকাৰ কথা গমিলে, আৰু গমি—তেওঁৰো পেটৰ ভাত চাউল হোৱাৰ বাট ল'লে। তেওঁ ৰাজকোঁৱৰ সূৰ্য্যসিংহৰ প্ৰাণ-ৰক্ষা কৰাৰ আঁচনি ল'লে আৰু পাছদিনাই ৰজা পাৰ্গতসিংহলৈ অসুস্থ হোৱাৰ বাতৰি পঠাই ৰাজকোঁৱৰক লগত লৈ কৃষ্ণগড়লৈ বুলি ওলাল। কৃষ্ণগড় ৰাজ্যৰ ৰাণী আছিল তেওঁৰ মাহীয়েক।

ওলাই—পোন বাটেৰে নগৈ—অৰণ্যৰ মাজেদি গৈ থকাত সেইদিনা কৃষ্ণগড় পাবলৈ নহ'ল। সাঁজ লগাৰ আগে আগে অৰণ্য পাৰ হৈ অজানপুৰ নামৰ গাঁৱৰ আঢ্যৱন্ত খেতিয়ক এজনৰ ঘৰলৈ গ'ল, আৰু সেই খেতিয়কজনে মহামন্ত্ৰী আৰু ৰাজকোঁৱৰক আলহী হিচাপে আদৰি ল'লে।

তাত উপস্থিত প্ৰতিজন মানুহেই মহামন্ত্ৰীৰ সৈতে যোৱা ৰাজকোঁৱৰলৈ চাই আচৰিত যেন হ'ল। কিছুমানৰ চকুৰ চাৱনি ঢেলুকা-ঢেলুকো হৈ উঠিল। মহামন্ত্ৰীয়ে ঘটনা লক্ষ্য কৰিও এই পৰিস্থিতিৰ কাৰণ উপলব্ধি কৰিব নোৱাৰিলে।

কিন্তু হঠাৎ আন এটি ল'ৰাৰ ওপৰত দৃষ্টি পৰাত মহামন্ত্ৰীৰো চকু ঢেলুকা-ঢেলুক হৈ দিলে। সুধি গম পালে যে—এই ল'ৰাটিৰ নাম হ'ল বলৰাম, আৰু সি এই অতিথিপৰায়ণ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

খেতিয়কজনৰ ল'ৰা। মহামন্ত্ৰীৰ বিস্ময়ৰ কথা হ'ল এয়ে যে — বলৰাম দেখাত হুবহু ৰাজকোঁৱৰ সূৰ্য্যসিংহ। আন মানুহখিনিৰো বিস্ময় এইখিনিতেই। ৰাজকোঁৱৰ আৰু বলৰাম কেৱল দেখাতে হুবহু নহয়, কি চলন-ফুৰণ, কি মাত-বোল—সকলোতে হুবহু এক।

হঠাৎ মহামন্ত্ৰীৰ মনত এটি বিশেষ কথাই মূৰ দাঙিলেঃ বলৰামকো যদি ৰাজকোঁৱৰৰ সৈতে ৰাখিব পৰা যায়—বিপদকালত শত্ৰুৰ দৃষ্টিত বিভ্ৰান্তিৰ সৃষ্টি কৰিব পৰা হ'ব।

মহামন্ত্ৰীয়ে বলৰামৰ দেউতাকক ক'লে, "তুমি যদি তোমাৰ পুত্ৰক ৰাজকোঁৱৰৰ লগৰীয়া হিচাপে দিয়া—ভৱিষ্যতলৈ বলৰামৰ, আৰু তোমাৰো ভাল হ'ব।"

বলৰামৰ দেউতাকে আনন্দ-মনেৰেই মহামন্ত্ৰীৰ প্ৰস্তাৱত সন্মতি দিলে। আৰু পাছদিনা, ৰাজকোঁৱৰ আৰু বলৰামকো লগত লৈ মহামন্ত্ৰীয়ে কৃষ্ণগড় পালেগৈ।

আৰু — চাওঁতে চাওঁতে ৰাজকোঁৱৰ সূৰ্য্যসিংহ আৰু বলৰামৰ মাজত প্ৰগাঢ় বন্ধুত্বৰ সৃষ্টি হ'ল।

বহুদিনৰ অন্তত পানীৰ তলে লাগী জাল বাব পৰা পাৰ্গতসিংহই ঠাৱৰ কৰিব পাৰিলে যে—সেই পানী-পেটা ল'ৰাটো ক'ত আছেগৈ।

আৰু ঠাৱৰিবৰ লগে লগেই সৈন্যবাহিনীৰে সৈতে ওলাই পাৰ্গতে ক্ষুদ্ৰ কৃষ্ণগড় ৰাজ্যখনক চাৰিওফালৰপৰা আগুৰি ধৰিলে।

একোপধ্যে সাৰিবৰ উপায় নেদেখি মহামন্ত্ৰীয়ে বগা নিচান উৰুৱাই পাৰ্গতৰ কাষ চাপিল। পাৰ্গতে চৰ্ত দিলে যে—ৰাজকোঁৱৰ সূৰ্য্যসিংহক তাৰ হাতত দিয়া হয় যদি—কৃষ্ণগড়ৰ কুটা এটাও লৰচৰ নকৰাকৈ ৰাজকোঁৱৰক লৈ তাৰপৰা গুচি যাবগৈ।

মহামন্ত্ৰীয়ে বলৰামক ক'লগৈ, "পুত্ৰ, আমাৰ শত্ৰুৰজাই তোমাৰ বন্ধু সূৰ্য্যসিংহক ধৰি লৈ যাবলৈ আহিছে। তাৰ দাবী মতে—যদি ৰাজকোঁৱৰ তাৰ হাতত সঁপি দিওঁ—শত্ৰুৰজাই হয়তো সূৰ্য্যক মাৰি পেলাব, এতিয়া মোৰ কথা হ'ল—তোমাকে ৰাজকোঁৱৰৰ সাজ-পৰে পিন্ধাই শত্ৰুৰজাৰ হাতত গটাই দিওঁ যদি—তুমি পলাই যাব পাৰিবানে তাৰ কবলৰপৰা ?"

বলৰামে নিৰ্দ্বিধাই ক'লে, "জেঠা, মই যদি মৰোঁও—এই সংসাৰত কাৰোবাৰ বিশেষ অনিষ্ট নহ'ব, কিয়নো, মোৰ আৰু কেইবাজনো ভাই-ককাই আছে। কিন্তু সূৰ্য্য তো

মাত্র এটা, দ্বিতীয় সূৰ্য্যতো নাই!”

মহামন্ত্ৰীয়ে বলৰামক ৰাজকোঁৱৰৰ বেশ-ভূষা পিন্ধাই পাৰ্গতসিংহৰ ওচৰ পোৱালে।

বলৰাম গুচি যোৱাৰ অলপ সময়ৰ পাছত ৰাজকোঁৱৰে বলৰামক বিচাৰিবলৈ ধৰিলে আৰু এই কথাৰ ভেদ পালে যে বলৰাম পাৰ্গতসিংহৰ সৈন্যহঁতৰ কবলত পৰিছেগৈ। তাৰ খুড়াকে যে কৃষ্ণগড় ৰাজ্যক আক্ৰমণ কৰিবলৈ কেইবাদিনৰোপৰা আগুৰি ধৰি আছে—সেই কথা ৰাজকোঁৱৰেও জানিছিল।

ৰাজকোঁৱৰ সূৰ্য্যসিংহই হঠাৎ এজন সৈন্যৰ কঁকালৰপৰা তৰোৱাল কাঢ়ি লৈ পাৰ্গতসিংহৰ তম্বুৰ পিনে বেগাই খোজ ল'লে।

তেতিয়া পাৰ্গতে তাৰ তম্বুৰ ভিতৰত বহি বলৰামকে ৰাজকোঁৱৰ সূৰ্য্যসিংহ বুলি ভাবি কৈ আছিল, “দীৰ্ঘদিনৰ অন্তত মোৰ হাতত পাৰিছাহি। মোৰ সিংহাসনৰ কাঁইট, আজি এহিক্ষণ তোমাক উভালিম, নিজ ৰাজত্বক নিষ্কণ্টক কৰিম, তোমাক দুছোৱা কৰিম।”

বলৰাম নিৰ্ভীকভাৱে অলৰ-অচৰ হৈ থিয় হৈ আছিল। পাৰ্গতৰ কথাৰ উত্তৰত বলৰামে ক'লে, “নিষ্কণ্টক নহ'ব, কাঁইটীয়া সিংহ-আসনত বহি ককবকাই থাকিব।”

আৰু লগে লগে পাৰ্গতে পাৰ্গতালিৰে বলৰামৰ ওপৰলৈ জঁপিয়াই পৰিবলৈ ধৰোঁতেই অকস্মাৎ ধূমকেতুৰ দৰে ধুমাৰ্জয় গতিৰে ৰাজকোঁৱৰ সূৰ্য্যসিংহ পাৰ্গতৰ তম্বুলৈ সোমাই আহিল, আৰু একে ঠাইত দুই সূৰ্য্যসিংহ দেখি থকাৰ বিভ্ৰান্তিৰ মাজত সূৰ্য্যসিংহই পাৰ্গতৰ মূৰটো বিজুলীগতিৰে কাটি পেলোৱা হ'ল।

তিমানতে ৰাজকোঁৱৰক বিচাৰি লৰৰি-ঢাপৰি বৃদ্ধ মহামন্ত্ৰীও তালৈ উপস্থিত হৈছিলাহি। মহামন্ত্ৰীয়ে পাৰ্গতৰ সৈন্যহঁতক সকলো কথা চমুকৈ বুজাই কোৱাত সৈন্যহঁতে সূৰ্য্যসিংহৰ নামত, আৰু লগতে বলৰামৰ নামতো জয়ধ্বনি দিলে।

তাৰ পাছত—মহামন্ত্ৰীয়ে ৰাজকোঁৱৰ আৰু বলৰামকো লগত লৈ ধৱলপুৰ পালেহি। মহামন্ত্ৰীয়ে ৰাজকোঁৱৰক ৰজা পাতি বলৰামক মহামন্ত্ৰীৰ বাব দি নিজেই বলৰামক মহামন্ত্ৰীৰ দায়িত্ব কঢ়িয়াবৰ শিক্ষা দি থাকিল। ৰাজকোঁৱৰ আৰু বলৰামৰ মাজত থকা বন্ধুত্বৰ জৰী নোহোৱা জৰী — অনাজৰী — কোনো-কাহানিও টুটা নাছিল।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ ছেপটিমবাৰ সংখ্যাত ওলাব



AJY PRASAD

K. SUBRAHMANYAM

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ জুলাই মাহৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ মে' সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : হৃদয়ৰ বন্ধন

দ্বিতীয় ফোটো : জীৱনৰ বন্ধন

পাওঁতা : বন্দনা বৰুৱা যোৰাবাট গুৱাহাটী অসম

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES

CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600 026.

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras - 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exelusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Eggcetera

Brain Scramblers for Kids

There are seven differences between the two pictures.
See if you can find them all.



An egg is packed with protein, vitamins and 11 minerals essential for your body.

NECC
NATIONAL
EGG CO-ORDINATION
COMMITTEE

Have you had an egg today?

everest/97/HPL/20